১৯৭৫-৭৭ শিক্ষাবৰ্ষৰ

প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানৰ

# কাব্য ভাবনা

## প্ৰথম খণ্ড


সংকলন আৰু সম্পাদনা

**ড° আল্পনা সৰকাৰ ডেকা**

কাব্য ভাবনা

**KABYA BHABANA** : An Anthology of poems composed and adored by the Cottonians of 1975-77 batch of Pre-University and published by Gyanpith Prakashan, 28/Greenland Path, Bagharbori, Panjabari, Guwahati-37

প্ৰকাশক ঃ জ্ঞানপীঠ প্ৰকাশন, গুৱাহাটী-৩৭

প্ৰথম প্ৰকাশ ঃ ৭ জুলাই, ২০১৯

দাম ঃ ২০০.০০ টকা

মুদ্ৰণ ঃ শ্ৰীগণেশ প্ৰিণ্টাৰ্চ্ছ,
শংকৰদেৱ মাৰ্কেট, নুনমাটি, গুৱাহাটী-৭৮১০২০
ফোন ঃ ৯৭০৭০১০৮৮৯

# উচৰ্গা

ইং ১৯৭৫-৭৭ শিক্ষাবৰ্ষৰ
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ
কটনিয়ান বন্ধুসকলৰ হাতত
শুভেচ্ছাৰে

# ‘কাব্য ভাবনা’ সম্পৰ্কত...


১৯৭৫-৭৭ বৰ্ষৰ কটন মহাবিদ্যালয়ৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানসকলে সন্মিলিত ৰূপত ‘কাব্য ভাবনা’ নাম দি এখনি কাব্যগ্ৰন্থ প্ৰকাশ কৰিবলৈ বিচাৰিছে। এই সম্পৰ্কত শতাধিক কবিতা সংগ্ৰহ কৰিবলৈও তেওঁলোক আগবাঢ়ি আহিছে। এই অতিক্ৰান্ত সময়ৰ কবিসকলক একত্ৰিত কৰি সঙ্কলিত কৰিব পৰা যি মানৱিক আবেদন সেয়া সততে প্ৰশংসাৰ যোগ্য। কবিতাৰ ক্ষেত্ৰখন দিনে দিনে বাঢ়ি যোৱাৰ বাবেই হয়তো এনে এটা প্ৰক্ৰিয়া তেওঁলোকে হাতত ল'ব পৰা হৈছে। বিশ্বকবি পাব্‌লো নেৰুডাৰ এটা উক্তি এই ক্ষেত্ৰত স্বীকাৰ কৰিবলগীয়া। কবিতাৰ শক্তি সম্পৰ্কত তেওঁ কৈছিল - ‘আমাৰ যুগৰ ই এটা বিশেষ সন্মান যে যুদ্ধ বিগ্ৰহ আৰু ভয়ানক সামাজিক অস্থিৰতাৰ মাজতো আগতে কেতিয়াও কল্পনা কৰিব নোৱৰাকৈ কবিতাই অধিক ঠাই দখল কৰি লৈছে। সাধাৰণ মানুহ ইয়াৰ মুখামুখি হৈছে, ইয়াৰ দ্বাৰা আক্ৰান্ত হৈ অথবা ইয়াক আক্ৰমণ কৰি নিঃসঙ্গ নিৰ্জ্জনতাত বা সাধাৰণ ৰাইজৰ সমূহীয়া সভাত ইয়াৰ লগত মিলিত হৈছে। (Memoirs, Page 253)

কবি আৰু কবিতাৰ বিচিত্ৰ ৰূপ থাকিলেও কবিতা মানুহৰ ওঁঠৰ প্ৰিয় উচ্চাৰণ আৰু হৃদয়ৰ সম্পদ হিচাপেই বিবেচিত হৈ আহিছে। কেৱল সৌন্দৰ্য্য আৰু সঙ্গীতেই নহয়, মানুহৰ দুখ-যন্ত্ৰণাৰ অস্থিৰ চিঞৰকো কবিতাই সময়ে সময়ে পৰিগ্ৰহণ কৰি আহিছে। সেইবাবেই কবিতা মহান আৰু চিৰন্তন হৃদয়ৰ অঙ্গীকাৰ হৈ আছে। নেৰুডাই সেয়েহে Magic reality কবিতাৰ অঙ্গ হৈ থকাটো বাঞ্চনীয় বুলি কৈছে।

‘কাব্য ভাবনা’ কবিসকলৰ হৃদয়ৰ স্পন্দন। ইয়াৰে কবিতাসমূহত কবিসকলে বিশেষকৈ অগস্ত্য বৰুৱা, কস্তুৰী নিভা গগৈ, পঙ্কজ কুমাৰ নেওগ, কঙ্কন শৰ্ম্মা, মদন চন্দ্ৰ ডেকা, মীনাক্ষি ৰায় ডাকুৱা, অমল শইকীয়া, শৰৎ বৰকাকতি, জোনা মহন্ত, ৰত্ন কান্ত শৰ্ম্মা, বিৰাজ জ্যোতি গোস্বামী, তপোধন দাস আদি কবিসকলে এৰি অহা সময়ৰ স্মৃতি ৰোমন্থন কৰাৰ উপৰিও

নিজস্বভঙ্গী প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। সঙ্কলনখনত দুগৰাকীমান প্ৰতিষ্ঠা লাভ কৰা কবিৰ কবিতাও আছে। কিন্তু কবি কোন আৰু কেতিয়াৰ সেয়া বিচাৰ কৰাৰ পূৰ্ব্বে কবিতাকেইটাই কি ধৰণৰ সামাজিক চেতনাক জগাই তুলিব পাৰিছে সেয়াহে আচল কথা। কাৰণ পৰিৱৰ্ত্তিত গতিময়তা কবিতাৰ অঙ্গ হোৱা বাঞ্চনীয়। তেতিয়াহে মানবিকতাৰ আৰ্ত্তি আমাৰ চকুত পৰিব।

'কাব্য ভাবনা' সঙ্কলন আৰু সম্পাদনা কৰা ড° আল্পনা সৰকাৰ ডেকাৰ চেষ্টা আৰু কষ্টৰ বিনিময়ত ১৯৭৫-৭৭ চনত কটন কলেজত প্ৰাক্-বিশ্ববিদ্যালয়ত পঢ়া কেইগৰাকীমান কবিৰ কবিতা পাঠকে পঢ়িবলৈ পাব সেয়া অতি সুখৰ বাতৰি। সঙ্কলনখনি সকলো ফালৰ পৰা আকৰ্ষণীয় হোৱাটো অসমীয়া কাব্য সাহিত্যৰ বাবেই এক স্মৰণীয় বাৰ্ত্তা হৈ ৰ'ব। এই আশাৰে আমি কবিসকল সমন্বিতে সঙ্কলক-সম্পাদক ড° সৰকাৰ ডেকাক শুভকামনা জনালোঁ।



# কাব্য ভাবনাৰ সুৰাগুৰি তুলি...

স্বপ্নাতুৰ মানৱ মন কবিসকলে অপাৰ বিস্ময়, ৰহস্য আৰু মাধুৰ্য্যৰে পৰিপূৰ্ণ কৰি তোলে। পৰিচিত জগতৰ মাজত জাপ খাই থকা পদুম পাহিৰ দৰে মানৱৰ মনত জাপখাই থকা অন্য এখন জগতৰ দুৱাৰ তেওঁলোকে মুকলি কৰি দিয়ে। কবিতাৰ মাজৰ আবেদন, কবিতাৰ সাংগীতিক লয় আৰু ধ্বনিয়ে মনৰ মাজত অনুৰণন তোলে। সেয়েহে প্ৰাচীন ভাৰতবৰ্ষত কবিক প্ৰজাপতি ব্ৰহ্মাৰ লগত তুলনা কৰা হৈছিল ঃ

'অপাৰ কাব্যসংসাৰে কৱিৰেব প্ৰজাপতিঃ।'

কবিতা সত্যৰ অনুসন্ধান। কবিতা কবিৰ আত্মোপলব্ধি। কবিতা কবিৰ জীৱনজিজ্ঞাসা। কবিতা দৰাচলতে শব্দ আৰু অৰ্থৰে নিৰ্মিত এক বিশেষ বাক্‌ভঙ্গী। কবিৰ অনুভূতি আৰু অভিজ্ঞতাৰ শৈল্পিক চিত্ৰায়ণ। কবিতা অভিজ্ঞতা সমৃদ্ধ হোৱা হেতুকে জীৱন বাদ দি কবিতা নহয়, জীৱন সমাজ আধাৰিত। গতিকে সম্যকভাৱে একো একোগৰাকী কবি তেওঁৰ সমকালীন সময় আৰু সমাজৰ নিপুণ কলাকাৰ। কবিৰ সম্পৰ্ক আৱেগৰ সৈতে। সূৰ্য্যকুমাৰ ভূঞাই কৈ গৈছে ঃ

'কবিৰ পুলকবাণী দেৱতাৰ বৰ
আৱেগৰ বন্দী কবি নোহে নিয়মৰ।'

আনহাতে কবি হীৰেণ ভট্টাচাৰ্য্যৰ মতে ঃ

'কবিৰ পাঠে বৰ্ণক উন্মোচন কৰে শব্দলৈ, শব্দক ধ্বনিলৈ আৰু ধ্বনিৰ অনুৰণনে কবিতাক লৈ যায় জীৱনৰ বোধি-মূললৈ।'

অৰ্থাৎ কবিতাত কবিৰ জ্ঞাতে অজ্ঞাতে জীৱন সংপৃক্ত হৈ থাকে।

লক্ষ্মীনাথ বেজবৰুৱাই 'কবিতা হয় যদি হওক, নহয় যদি নহওক' বুলি কৈ লিখা কবিতাসমূহৰ ভালেমান কবিতাই অতি উচ্চমান বিশিষ্ট। আমাৰ

## কাব্য ভাবনা

'কাব্য ভাবনা'ৰ কবিসকলেও  কবিতা লিখিব বুলি কাব্যচৰ্চ্চাত অৱগাহন কৰা নাছিল। তেওঁলোকৰ পৰস্পৰৰ যোগাযোগৰ মাধ্যম হৈছে কেতিয়াবা ছন্দবিহীন আৰু কেতিয়াবা ছন্দোৱদ্ধ বাক্ৰীতি। এইবোৰক কোনোবাই কবিতা বুলি নক'বও পাৰে কিন্তু কবিতা লিখিব বুলি ভাবি নিলিখিলেও ইয়াৰ কিছুমান কবিতাত তেওঁলোকৰ অনুভৱৰ স্বতঃস্ফূৰ্ত্ত প্ৰকাশে ৰচনাসমূহক কবিতাৰ শাৰীলৈ উন্নীত কৰিছে। জগতৰ কোনো বস্তুৱেই স্থায়ী নহয়। একোৱেই একে নাথাকে। সকলো সলনি হয়। পৰিৱৰ্ত্তনশীল সময়ৰ বাস্তৱ ছবিও 'কাব্য ভাবনা'ত বাঙ্ময় হৈ উঠিছে। আজি বসুধায়নৰ যুগ, কিন্তু মানুহে গ্ৰহৰ পৰা গ্ৰহান্তৰলৈ গতি কৰিও হৈ পৰিছে ছিন্নমূল, হেৰাই যোৱাৰ উপক্ৰম হৈছে মানুহৰ শুভবোধ, মানৱিকতা। অতীত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা হেৰুওৱাই পেলাব বিচৰা এই সময়ত আমি সন্মুখীন হৈছোঁ এক অৱধাৰিত প্ৰশ্নৰ। ডিজিটেল, ইণ্টাৰনেটত হেৰাই যাম নে অতীত ঐতিহ্যক খামুচি থাকিম? যুগৰ এই সন্ধিক্ষণে কিছু মানৱৰ হৃদয়বত্তাক যেন জোকাৰি গৈছে। সেয়েহে 'কাব্য ভাবনা'ৰ কবিসকলৰ প্ৰায় আটায়ে, সময়ে অতীত ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা হেৰুৱাব বিচৰা সময়ত এমুঠি মানুহৰ চিন্তা চেতনাত জাগৰিত হৈ উঠা শুভবোধে অতীত পৰ্য্যবেক্ষণ কৰিছে, অতীতক অৱগাহন কৰিবলৈ যত্ন কৰিছে। তেওঁলোকে জানে আঙুলিৰ ফাকেৰে দিন, মাহ, বছৰ লেখি পাৰ হৈ যোৱা দিনবোৰ আৰু কাহানিও উভতি নাহে তথাপি সেইদিনবোৰেই তেওঁলোকৰ মন গহনত খোদিত হৈ ৰৈছে। কবিতাসমূহ অধ্যয়ন কৰিলে অনুভৱ হয় অধুনিকতাৰ পৰশ পাই কবিতাৰ আকৃতি-প্ৰকৃতি, বিষয়বস্তু, গতিময়তাত পৰিৱৰ্ত্তন আহিছে যদিও মানৱৰ হৃদয়ানুভূতি এতিয়াও নিঃস্ব হৈ যোৱা নাই। কবিৰ প্ৰেৰণা মানুহ, কবিৰ প্ৰেৰণা জীৱন আৰু জগত।

ইং ১৯৭৫-৭৭ চনৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানসকলৰ মনৰ মাজত অলক্ষিতে লুকাই আছিল তেনেকুৱা একোখন কবিতাৰ জগত। সেই জগতখন সুপ্ত হৈ আছিল, তাৰ স্বতঃস্ফুৰ্ত প্ৰকাশ হয়তো সম্ভৱ হোৱা নাছিল। এসময়ত যি ধৰণৰ আৱেগ-অনুভূতিয়ে তেওঁলোকৰ মনোজগতত অগাদেৱা কৰিছিল, চাৰিটা দশক অতিক্ৰান্ত হোৱাৰ পাছত সেই তন্ময়তাৰ ধৰণ ধাৰণত

পৰিৱৰ্ত্তন ঘটিল। জীৱনৰ সৰোবৰত সময়ে, বয়সে শৰৎকাল লৈ আহে- শান্ত, স্নিগ্ধ, সমাহিত। তেওঁলোকৰ মাজৰ বন্ধনতো আজি শৰৎকালৰ স্নিগ্ধতা বিৰাজিত। সেইবাবেই জোনা মহন্তই নিৰ্দ্বিধাই ক'ব পাৰিছে -

'আহিবা তুমি মোৰ ঘৰলৈ,
কথা পাতিম হিয়া উজাৰি,
নাই তাত কোনো
পোৱা নোপোৱাৰ হিচাব
নাই তাত কোনো
স্বাৰ্থৰ গণিত,
স্মৰণ কৰিম
মাথোঁ এৰি অহা
সোণালী দিনবোৰৰ
তোমাৰ স'তে'

অথবা কঙ্কন শৰ্ম্মাই একেই সুৰে আহ্বান জনাব পাৰিছে ঃ

'বিহু বুলি নেলাগে
এপলক এনেদৰে বহোঁ আহা
লগ হৈ হৃদয়ৰ কথা পাতোঁ...'

কবিতাসমূহত বিচাৰিলে পোৱা যায় এমুঠি মানুহৰ মনত দোলা দিয়া এৰি অহা দিনৰ সুখময় স্মৃতি বিষাদভৰা স্মৃতিগাঁথা। বহুসময়ত আকৌ প্ৰিয়জনক হেৰুওৱাৰ বেদনায়ো তেওঁলোকক কৰিছে ম্ৰিয়মান। কবিতাসমূহৰ বহুকেইটাতে অতীত স্মৃতিৰ জিলিঙনি পোৱা যায় যদিও পৰিৱৰ্ত্তিত সময়ৰ আলাপ ধৰি ৰখা কবিতাও ইয়াত আছে। মানুহ সদায় মানৱিক। মানৱিক চেতনাৰ ভূমিকাই কবিতাসমূহৰ পাঠকলৈ নিশ্চয় আশাৰ বাৰ্ত্তা বহন কৰি আনিব।

এই কবিতাসমূহ ক'বলৈ গ'লে 'ডিজিটেল কাব্য চৰ্চ্চা'। ভাবি ভাল লাগিছে যে আজি ইণ্টাৰনেটৰ যুগতো তেওঁলোকে মাতৃভাষাৰ জৰিয়তে

কাব্যচৰ্চ্চা অক্ষুণ্ণ ৰাখিছে। কেতিয়াবা আনন্দৰ ৰসঘন মুহূৰ্ত্তত, কেতিয়াবা কোনোবাটো দুখৰ ক্ষণত, কেতিয়াবা প্ৰিয়দিনবোৰ আঙুলিৰ ফাকেৰে সৰকি যোৱা বিষাদভৰা অনুভৱত, কেতিয়াবা অতীত ঐতিহ্যৰ স্মৃতি বিজড়িত দিনবোৰ সুঁৱৰি তেওঁলোকে কলম নিগৰাইছে। বিষাদ চেতনাৰ আৰ্ত্তি বহন কৰা কবিতাসমূহ সুখপাঠ্যও।

কবি হীৰেণ ভট্টাচাৰ্য্যই কৈছিল ঃ

'কবিতা মোৰ দুখৰ দিনৰ
এপাহ খৰিকাজাঁই।'

বেজবৰুৱাই কোৱাৰ দৰে-

'ভাগি গ'ল বীণখনি ছিগি গ'ল তাৰ
ৰই গ'ল অৱশেষ অমিয়া জোকাৰ।'

'কাব্য ভাবনা'ত অগস্ত্য বৰুৱায়ো কৈছে ঃ

'নিজম নদীৰ তীৰত এতিয়া মায়াময় আবেলি
সুবাসিত বতাহত মৰম মৰম নিৰিবিলি।'

ভাব, ভাষা আৰু সুন্দৰ শব্দৰ সমলয়ে কবিতাটিক হৃদয়স্পৰ্শী কৰি তুলিছে। কবিতা সুন্দৰ হয় ভাব আৰু সাৱলীল ভাষাৰ সংযোগত। এই লক্ষণ 'কাব্য ভাবনা'ৰ কবিতাবোৰত প্ৰকাশ পাইছে। জীবনৰ পৰা উদ্ভুত দুখবোধৰ পৰা ক্ষণিক পৰিত্ৰাণ তেওঁলোকে কবিতাৰ পৰা লাভ কৰিছে অথবা সেই দুখবোধ বুকুৰ কৰণিত আলফুলে কবিতাৰ মাজতেই সাঁচি থৈছে।

কিছুমান কবিতা সুখপাঠ হোৱাৰ লগতে চিন্তা উদ্ৰেককাৰী। জীৱন জিজ্ঞাসাও কবিতাসমূহত প্ৰস্ফূটিত হৈছে। বৰ্ত্তমান সময়ৰ পৰিৱৰ্ত্তিত ৰাজনৈতিক, সামাজিক, ঐতিহাসিক পটভূমিৰ ছবিৰ অঙ্কনো কবিতাসমূহৰ মাজত চিত্ৰায়িত হৈছে। অপ্ৰাপ্তিৰ হুমুনিয়াহ আৰু বঞ্চিত মানৱৰ আৱিষ্কাৰৰ চেষ্টা বহুতৰে কবিতাত বিচাৰি পোৱা যায়। কবি অমল শইকীয়াই জীৱনক নিজস্ব দৃষ্টিভঙ্গীৰে সজাইছে। আশাই জীৱনৰ চালিকা শক্তি এই অনুভৱে

কবিতাসমূহত আশাবাদৰ তীব্ৰ স্বাক্ষৰ প্ৰতিফলিত কৰিছে ঃ

'প্ৰতিটো খোজ আমি নিজে সজাঁও জীৱনৰ
প্ৰতিটো সময় আমি অলঙ্কৃত কৰোঁ বিশ্বাসত
.........................
ছন্দোৱদ্ধ সময়ৰ গতিত
জীপাল হয় জীৱনৰ গান।'

জয়ন্ত বৰদলৈয়ে সৰ্ব্বহাৰা মানুহৰ কথা সাৱলীল ভাষাৰে বৰ্ণনা কৰিছে এইদৰে ঃ

'আছে তাইৰ এটা ফটা বেগ
আৰু এখন উৰলি যোৱা শাড়ী
ফুটপাথেই তাইৰ ঘৰ
নাম তাইৰ এলাগী।'

ৰুমিমা দাসে স্মৃতিৰ দুখৰ সাগৰত অৱগাহন কৰিছে। জীৱনৰ সকলো ৰং নিঃশেষ হোৱাৰ বেদনাৰ আৰ্ত্তি ফুটি উঠিছে 'মোৰ স্বপ্নৰে' কবিতাত।

ইণ্টাৰনেটৰ যুগৰ পৰিৱৰ্ত্তনৰ দলিল কঙ্কন শৰ্ম্মাৰ 'Greetings Card' কবিতা ঃ

'আজিকালি শুভেচ্ছাবোৰ
এটি ৰিং টোনৰ পিছত আহে...'

তপোধন দাসে নিয়ৰৰ মাজত হেৰোৱা কৈশোৰৰ দিনবোৰ বিচাৰি চলাথ কৰিছে, হৃদয়ৰ গভীৰত অনুভৱ কৰিছে সুবাসিত যন্ত্ৰণা -

'বগলী আৰু কণামুচৰি কেইটা
সিহঁত নোহোৱা উকা পুৱাবোৰে
সিহঁতৰ গাত মৰা বাটলু হৈ
বৰকৈ খুন্দিয়ায় হিয়াত'

একে ধৰণৰেই শৰতেও বিচাৰি ফুৰে হেৰোৱা খোজ ঃ

বালিত বিচাৰি ফুৰোঁ
তাহানিতে এৰি অহা খোজ।

কটন কলেজৰ সুখময় স্মৃতি বহুকেইগৰাকীয়ে ৰোমন্থন কৰিছে। কটন কলেজ, তেওঁলোকৰ চেতনাৰ অংশ। পঙ্কজ কুমাৰ নেওগে কটন কলেজৰ কথা এনেদৰে কৈছে ঃ

'কটন কলেজ - প্ৰণামোঁ তোমাক
....................
আগুৱান হওক আজিৰ আৰু অনাগত
দিনৰ ন-পুৰুষ
তোমাৰ দুৱাৰদলি গচকি,
লক্ষ্যৰ উত্তুঙ্গ শিখৰ হওক প্ৰতীয়মান'

আনহাতে কস্তুৰী নিভা গগৈয়ে কটনৰ দিনবোৰৰ স্মৰণ কৰিছে ঃ

'হৃদয় আজিও উখল মাখল
কি যে উচ্ছল
নিৰ্দোষ ধেমালিৰ সেই দিন
ৰৈ গ'ল মাথোঁ সোণসেৰীয়া বাখৰুৱা স্মৃতি'

পথাৰৰ বোকামাটিৰ গোন্ধ, ঋতুৰে ঋতুৰে হোৱা পৰিৱৰ্ত্তন, গাঁৱৰ সোণোৱালী দিনবোৰ আৰু প্ৰকৃতিৰ অনবদ্য ৰূপৰ চিত্ৰায়নো বহুকেইগৰাকী কবিৰ কবিতাৰ উপজীৱ্য। পঙ্কজ বৰুৱাই প্ৰকৃতিৰ বুকুত অৱগাহন কৰিছে ঃ

'ফাগুনৰ পছোৱাই
ৰঙৰ বতৰা বিয়পায়
পলাশ ৰঙা মৰমে
প্ৰেমৰ বতৰা কঢ়িয়াই ...'

বিৰাজ জ্যোতি গোস্বামীৰ কলমেৰে নিগৰিছে ঃ

'বসন্তৰ এটি নতুন পুৱা

কাব্য ভাবনা

মোৰ পদূলিৰ নাহৰজুপিত নাচে
বতাহৰ অশান্ত প্লাৱন'

আনহাতে অশোক ভট্টাচাৰ্য্যৰ সপোন ফাগুনেহে আনে ঃ

ফাগুন আহিলে
পলাশৰ উমে
পুৰঠ কৰে
বুকুত উমনি দিয়া
সেউজীয়া সপোন'

পূৰ্ণেন্দু শৰ্মাই আনহাতে ভাবে ঃ

'তুমি আহো বুলি ক'লে
নাহো নাহোকৈ থকা ফাগুনেও চোন
সাজোন কাচোন কৰে'

লোকজীৱন কবিতাৰ অন্যতম সমল। 'কাব্য ভাবনা'ৰ এমুঠিমান কবিতা লোকজীৱনৰ অভিজ্ঞতাই প্ৰাণৱন্ত কৰি তুলিছে। প্ৰাণ প্ৰাচুৰ্য্যেৰে পৰিপূৰ্ণ গাঁৱৰ সেই লোকজীৱন আৰু বিশ্বপ্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যত বিমুগ্ধ কবিসকলৰ ভালেমান কবিতাত প্ৰকৃতিৰ বিনন্দীয়া ৰূপ প্ৰস্ফূটিত হৈছে। শৰৎ, বৰ্ষা, বসন্ত প্ৰতিটো ঋতুৱেই কবিতাত প্ৰাণৱন্ত হৈ পৰিছে। প্ৰতিটো ঋতুৱে যেন তেওঁলোকক দি গৈছে 'জীৱনৰ আশীৰ্ব্বাদ'। বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰা কবিতাই 'কাব্য ভাবনা'ৰ জেউতি চৰাইছে। অনূদিত কবিতাও ইয়াত সন্নিৱিষ্ট হৈছে। মীনাক্ষি ৰায় ডাকুৱাৰ অনূদিত কবিতাই সঙ্কলনখনক এটি অতিৰিক্ত মাত্ৰা দান কৰিছে ঃ

'ঘাটাৰ ভাঞ্জত ৰয়া আছোং
দূৰেৰ শালবাৰীৰ সাথে ...'

তপোধন দাসৰ 'সৰগৰ স্মৃতি', মদন চন্দ্ৰ ডেকাৰ 'আলোক ৰেখা' দুটা চিন্তা উদ্রেককাৰী কবিতা। এটাত অতীত ঐতিহ্য, আনটোত ইতিহাস চেতনা মূৰ্ত্ত হৈ উঠিছে। ভিন অনুসঙ্গৰ কবিতাও ইয়াত বিচাৰি পোৱা যায়।

ৰাজনৈতিক আৰু সমকালীন চেতনাৰে সমৃদ্ধ কেবাটাও কবিতা সঙ্কলনখনত অন্তৰ্ভুক্ত হৈছে। ফাইজুৰ ৰহমানে বতৰৰ কথা কওঁতে আচলতে ৰাজনৈতিক বতৰৰ কথাই কৈছে ঃ

'এতিয়া চলিছে নিৰ্ব্বাচনী বতৰ
নেতাই ভাগিছে ভোটাৰৰ জগৰ
গাঁৱে ভূঁইয়ে গাড়ী মটৰ
উখল মাখল চহৰ নগৰ।'

কিছুমান কবিতাই সহপাঠী সকলৰ নিৰ্দ্দোষ ধেমালিৰ ছবিও ধৰি ৰাখিছে।

প্ৰেম মানৱজীৱনৰ এক অনিৰ্ব্বচনীয় অনুভৱ। ভালেকেইগৰাকী কবিয়ে প্ৰেমৰ মহত্ত্ব অঙ্কন কৰিছে। পৰিপূৰ্ণ প্ৰেমৰ অমল বিমল কিৰণে ৰত্ন কান্ত শৰ্ম্মাৰ কবিতাসমূহ অতি পূৰঠ কাব্যব্যঞ্জনাৰে সমৃদ্ধ কৰিছে ঃ

'যোৱাৰাতি 'ন হন্যতে' পঢ়াৰে পৰা
এতিয়া তুমি আৰু আহিব নালাগে
... ... ... ...
ভাঙি যাব জীৱনৰ
সোণালী সপোন
তুমি যে নহাই ভাল।'

প্ৰেমৰ সংজ্ঞা মদন চন্দ্ৰ ডেকাই দিছে এইদৰে ঃ

'প্ৰেম মানে স্বাৰ্থহীনতা
প্ৰেম এক সুবিমল তটিনী
............................
প্ৰাপ্তিৰ গণ্ডীত
প্ৰেমক বন্দী নকৰিবা।'

কবি গীতিকাৰ শৰৎ বৰকাকতিয়ে আজিও কাৰোবাৰ চকুত চকু থৈ হিয়াখন জুমি চোৱাৰ হেঁপাহ কৰিছে, পেঁপাৰ মাত শুনিলে জেতুকাৰ ৰঙত

কাব্য ভাবনা

হেৰাই যাব বিচাৰে, বয়সৰ গইনা লৈ জীৱনৰ অমূল্যনিধিক অস্বীকাৰ কৰাৰ হাবিয়াস তেওঁৰ নাই ঃ

আজিও কাৰোবাৰ
হিয়াখন জুমি চাওঁ
পেঁপাৰ মাত শুনি
আজিও জেতুকাৰ
ৰঙত হেৰাই যাওঁ

সুগভীৰ আশাবাদী সুৰে কবিতাটিৰ মৰ্ম্মলৈকে স্পৰ্শ কৰিছে।

কোনো কবি বা সাহিত্যিকে নিজৰ সমকালীন সময়চেতনাৰ উৰ্দ্ধলৈ গতি কৰিব নোৱাৰে। প্ৰতিগৰাকী কবিৰ আঁৰত থাকে তেওঁ বসবাস কৰা সমাজখন। সেয়ে সমাজ দায়বদ্ধতা কবিৰ অৱশ্যই বাঞ্চনীয় গুণ। 'কাব্য ভাবনা'ৰ কবিসকল সময় আৰু সমাজ সম্পৰ্কে সচেতন। তেওঁলোক প্ৰতিগৰাকীৰে কবিতাত মূৰ্ত্ত হৈ উঠিছে সমাজ দায়ৱদ্ধতাৰ ছবি। পৰিৱৰ্ত্তনশীল সময়ৰ বাস্তৱ ছবিও কবিসকলৰ কবিতাত বাঙ্ময় হৈ উঠিছে। সকলোৱেই যেন কামনা কৰিছে মানুহৰ শুভ বুদ্ধিৰ উদয় হওক। মানৱিক চেতনাৰে সকলোৱে উদ্বুদ্ধ হওক।

কাব্য ভাবনাৰ আঁৰৰ কথা ঃ

ইং ২০১৮ চনৰ ফেব্ৰুৱাৰি মাহত ১৯৭৫-৭৭ বৰ্ষৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীৰ কটনিয়ানসকলে Re-union ৰ আয়োজন কৰিছিল। আজিৰ সময়ৰ পটভূমিত তেওঁলোকে Whats App Group এটাও খুলি ল'লে। প্ৰথমতেই অগস্ত্য বৰুৱাই Re-union নামেৰে কবিতা এটি লিখি কাব্যৰাণীক আৱাহন জনালে। তাৰ পিছৰ পৰা তেওঁলোকৰ মাজত আৰম্ভ হ'ল কাব্য চৰ্চ্চা। যাক Digital কাব্যচৰ্চ্চা বুলি নাম দিব পাৰি।

মই কবি নহওঁ। এই গোটৰ সদস্যও নহওঁ। মই কবিতা পঢ়ি ভাল পাওঁ। কবিতাৰ সমালোচনা কৰাৰ ধৃষ্টতাও মোৰ নাই। কবিতাবোৰ শুনিবলৈ মই সুযোগ পাইছিলোঁ। বোধকৰো অসমীয়া সাহিত্যৰ ছাত্ৰী বাবেই মোৰ স্বামী

এই দলৰ এগৰাকী সদস্য মদন চন্দ্ৰ ডেকাই কবিতাবোৰ মোক পঢ়ি শুনাইছিল। কিছুমান কবিতা লৈ আমি আলোচনাও কৰিছিলোঁ। বছৰ বাগৰিল। লুইতৰ বুকুৰেদি বহুপানী বাগৰি গ'ল। এদিনাখন ধাৰণা হ'ল এই লেখাবোৰ (কোনোবাই কবিতা বুলি নক'বও পাৰে) একত্ৰিত কৰি সঙ্কলন এখন উলিয়ালে তেওঁলোকৰ মনৰ ভাববোৰ একত্ৰিত হৈ থকাৰ উপৰিও ভৱিষ্যতে কটন কলেজৰ প্ৰাক্তন শিক্ষাৰ্থী সম্পৰ্কে কোনোবাই গৱেষণা কৰিলে ই এখন দলিল হৈ ৰ'ব। নহ'লেও কালৰ বুকুত হেৰাই যোৱা মানুহৰ মনৰ ভাবনাবোৰ একত্ৰিত হৈ ৰৈ যাব। মই ব্যক্তিগতভাৱে বিশ্বাস কৰোঁ -

'জীবনের ধন কিছুই যায় না ফেলা।'

জীৱনৰ বাটত খোজ দিওঁতে উজুটি খোৱা সাধাৰণ শিল এডোখৰেও আমাক ইতিহাস কৈ যায়, দিয়ে মহাজীৱনৰ সন্ধান। হয়তো এইখন সঙ্কলনে কোনো কাব্যপ্ৰেমীৰ মনৰ দুৱাৰ আলোকিত কৰিব অথবা কোনো নতুন কবিক কাব্যৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিব। কোনে জানে মহাকালৰ বুকুত কাৰ স্মৃতিচিন কেনেদৰে অঙ্কিত হৈ ৰয় ! এই ভাবনা তেওঁলোকক জনোৱাৰ লগে লগে সকলোৰে পৰা ইতিবাচক সঁহাৰি লাভ কৰা হ'ল। মই কৃতজ্ঞ। তেওঁলোকে গভীৰ বিশ্বাস আৰু প্ৰত্যয়েৰে তেওঁলোকৰ প্ৰিয় সৃষ্টি মোৰ হাতত তুলি দিয়া বাবে। তেওঁলোকৰ সৃষ্টিৰ এই সঙ্কলনখনে আজি পোহৰৰ মুখ দেখিছে তেওঁলোকৰ মহানুভৱতাৰ বাবেই।

মোৰ ক'বলগীয়া ঃ

যোৱা ২০১৮ চনৰ ফেব্ৰুৱাৰি মাহৰ পৰা ২০১৯ চনৰ জুনলৈকে বহুত কবিতা গোট খাইছে। কিন্তু দুটা কাৰণত আটাইখিনি কবিতা সঙ্কলনখনত সন্নিবিষ্ট কৰিব পৰা নহ'ল। প্ৰথমতঃ আটাইখিনি কবিতা সন্নিবিষ্ট কৰিলে কিতাপখনৰ কলেৱৰ বৃদ্ধি হ'ব, কিন্তু সময় কম বাবে এই কাম ইমান কম সময়ৰ ভিতৰত সমাধা কৰাটো সম্ভৱ হৈ নুঠিল। কাৰণ আমাৰ মনোগত ইচ্ছা আমাৰ বন্ধুসকলৰ হাতত এইবাৰ আহাৰতে কাব্য সঙ্কলনখন তুলি দিয়া। সেয়ে আমাৰ অনিচ্ছা সত্ত্বেও বহু কবিতা এৰিবলগীয়া হ'ল। মে' ২০১৯ লৈকেহে কবিতা 'কাব্য ভাবনা'ত সন্নিবিষ্ট কৰা হ'ল। পৰৱৰ্ত্তীখিনি পিছৰ

খণ্ডত প্ৰকাশ কৰিবলৈ যত্ন কৰা হ'ব (আমি আশাবাদী)। দ্বিতীয়তে আমাৰ 'কাব্য ভাবনা'ৰ কবিসকলৰ ভিতৰত কেইবাগৰাকীও প্ৰতিষ্ঠিত কবি আছে। তেওঁলোকে নিজাকৈ কাব্যসঙ্কলন প্ৰকাশ কৰাৰ দিহা কৰা বুলিও আমি জানিব পাৰিছোঁ। সেয়েহে সেইখিনি তেওঁলোকলৈ এৰিলোঁ। আমাৰ হাতত পৰা কবিতাসমূহৰ মাজত পূৰ্ব্বে প্ৰকাশিত কবিতাসমূহ সঙ্কলনখনত সন্নিবিষ্ট কৰা হোৱা নাই। মাথোঁ তেওঁলোকৰ গোটত লিখা কবিতাবোৰ হে সঙ্কলনত সন্নিবিষ্ট কৰা হৈছে। সময়ৰ অভাৱত প্ৰতিগৰাকী কবিৰ কবিতাৰ আলোচনা উল্লেখ কৰিব পৰা নহ'ল। যিসকলৰ নাম ৰৈ গৈছে  তেওঁলোকৰ ওচৰত বিনম্ৰতাৰে ক্ষমা বিচাৰিছোঁ।

কবিতা কবিৰ আত্মাৰ প্ৰকাশ। কবিতা সঙ্কলিত কৰিব পৰা যায়, সম্পাদনা নহয়। কবিতাবোৰ সম্পাদিত বুলি এইবাবেই কোৱা হৈছে যে ক'ৰবাত উজুটি খোৱাৰ উপক্ৰম যেন দেখিলে তাক পোনাই পজৰাই দিয়াৰ লগতে বৰ্ণাশুদ্ধি আৰু বানান পদ্ধতিৰ ক্ৰম একে কৰিবলৈ যত্ন কৰা হৈছে। তাৰ বাবে হ'ব পৰা ভুল ভ্ৰান্তিৰ বাবে আটাইৰে ওচৰত কৰযোৰে ক্ষমা মাগিছোঁ। কবি জীৱনানন্দ দাসে কৈছিল ঃ 'সকলেই কবি নয় কেউ কেউ কবি।' আটাইকেইটা কবিতা হয়তো কাব্যসমালোচকে কবিতা বুলি নক'বও পাৰে তথাপি আমি তেওঁলোকৰ অনুভৱখিনি ধৰি ৰাখিবলৈ যত্ন কৰিছোঁ।

এযাৰ কথা আমি পাহৰি গ'লে নচলিব যে এই মঞ্চখন তৈয়াৰ কৰাৰ তেওঁলোকৰ নিজস্ব চিন্তা আছে। সামাজিক দায়বদ্ধতাৰ চিন্তা। তেওঁলোক প্ৰত্যেকেই ষাঠিৰ ঊৰ্দ্ধ অথবা ষাঠি স্পৰ্শ কৰা ব্যক্তিত্ব। সমাজৰ একোটা লাইখুঁটা। অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশ ইতিমধ্যে তেওঁলোকৰ অৱদানেৰে সমৃদ্ধ। গতিকে সামাজিক চেতনাৰে উদ্বুদ্ধ হৈ লিখা ভাবনাবোৰে যদি কবিতাৰূপে সাকাৰ ৰূপ পৰিগ্ৰহ কৰে অসমীয়া কাব্যসাহিত্য চহকী হ'ব বুলি আমি আশা কৰিব পাৰোঁ। আজি একৈশ শতিকাৰ দ্বিতীয়টো দশক অতিক্ৰান্তপ্ৰায় সময়ত আমি অনুভৱ কৰিছোঁ অসমীয়া কাব্যসাহিত্য সঁচাকৈয়ে চহকী। অসমীয়া কাব্যবেদীত আমাৰ এপাহ পুষ্পাৰ্ঘ্যই ভাষাজননীৰ পূজাত এপাহ খৰিকাজাঁই হৈ যদি সুগন্ধ বিলায় আমাৰ চেষ্টা সাৰ্থক হ'ব।

কৃতজ্ঞতা ঃ কাম মই কৰিছোঁ, কষ্ট মদন চন্দ্ৰ ডেকাৰ। তেওঁক কৃতজ্ঞতা জনাই ক্ষুদ্ৰ কৰাৰ সাহস নাই। গোটৰ আটাইকেইজন সদস্য-সদস্যালৈ মোৰ কৃতজ্ঞতা ৰ'ল। অসমৰ এগৰাকী আগশাৰীৰ কবি আনিছ উজ জামানে বিনাবাক্যই আগকথাখিনি লিখি দি গ্ৰন্থখনৰ মৰ্য্যাদা বঢ়ালে। তেওঁক কৃতজ্ঞতা জনোৱাৰ ভাষা নাই। শ্ৰীগণেশ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী আৰু কৰ্ম্মীবৃন্দই কেইটামান দিনৰ ভিতৰতে কিতাপখন প্ৰকাশ কৰি দিয়াৰ দায়ভাৰ গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰিলে। তেওঁলোকক মৰমেৰে সুঁৱৰিছোঁ। কিতাপখনে যদি আদৰ পায় তাৰ কৃতিত্ব কবিসকল সমন্বিতে সকলোৰে, ব্যৰ্থতাৰ দায়ভাগ এই অভাজনৰ-

শ্ৰদ্ধাৰে -

আল্‌পনা সৰকাৰ ডেকা

# সূচীপত্ৰ


- Re-union /অগস্ত্য বৰুৱা/২৩
- আমি এবাৰ উভতি চাওঁ/ কঙ্কন শৰ্ম্মা/২৫
- কটন কলেজ/পঙ্কজ কুমাৰ নেওগ/২৭
- স্মৃতিৰে উমলোঁ আহা/কস্তুৰী নিভা গগৈ/২৯
- বন্ধুত্ব/ জোনা মহন্ত/৩১
- সপোনৰ কোলাহল/শৰৎ বৰকাকতি/৩৩
- লগ পাম বন্ধু ঃ গীতেৰে আহ্বান/শৰৎ বৰকাকতি/৩৪
- অগস্ত্যলৈ একলম .../মদন চন্দ্ৰ ডেকা/৩৬
- পাণবজাৰৰ আবেলি/অগস্ত্য বৰুৱা/৩৭
- সূৰ্য্যমুখী/ৰুমিমা দাস/৩৯
- দুখ/মদন চন্দ্ৰ ডেকা/৪০
- ওপজা দিনৰ ওলগ/ কস্তুৰী নিভা গগৈ/৪১
- জন্মদিনের গান/মীনাক্ষি রায় ডাকুৱা/৪৩
- ফাগুনৰ ৰং/পঙ্কজ কুমাৰ বৰুৱা/৪৪
- অনামী নিঃসঙ্গতা/শৰৎ বৰকাকতি/৪৬
- হিৰণ্ময়ী দীপ্তি/ মদন চন্দ্ৰ ডেকা/৪৯
- বসন্তৰ এটি নতুন পুৱা/বিৰাজ জ্যোতি গোস্বামী/৫১
- ঠিক এনেকুৱাই .../অমল শইকীয়া/৫২
- জিমিৰী গাঁৱৰ ধুনীয়া ছোৱালীজনী/ৰত্নকান্ত শৰ্ম্মা/৫৪
- বিহু বুলি নহয়/কঙ্কন শৰ্ম্মা/৫৬
- মই আহিছিলোঁ/বিৰাজ জ্যোতি গোস্বামী/৫৭
- আলোক শিখা/মদন চন্দ্ৰ ডেকা/৫৮
- তোমাৰ প্ৰেমত পৰিছোঁ ঃ ১৯৭৫-৭৭ কটনিয়ান পি.ইউ./ জোনা মহন্ত/৬০
- এৰাসুঁতি/তপোধন দাস/৬২
- সময়/পঙ্কজ কুমাৰ বৰুৱা/৬৩
- কবিতা/ৰত্ন কান্ত শৰ্ম্মা/৬৪
- ভালপোৱাৰ অনুভূতি/ জোনা মহন্ত/৬৭

## কাব্য ভাবনা


- তোক ভাল পাওঁ বুলি/মদন চন্দ্ৰ ডেকা/৬৮
- ভাল নাপালেও/কস্তুৰী নিভা গগৈ/৭০
- তোক ভালপোৱাৰ দৰে/অমল শইকীয়া/৭১
- প্ৰাসঙ্গিক চিন্তা/শৰৎ বৰকাকতি/৭২
- বতৰ/ফাইজুৰ ৰহমান/৭৪
- নদী/মদন চন্দ্ৰ ডেকা/৭৫
- প্ৰেম/কঙ্কন শৰ্ম্মা/৭৬
- আবিৰৰে মেলা/শৰৎ বৰকাকতি/৭৭
- সময়ৰ জুই/ অমল শইকীয়া/৭৯
- পানী/মদন চন্দ্ৰ ডেকা/৮১
- উত্তপ্ত দিগন্ত /ৰত্ন কান্ত শৰ্ম্মা/৮৩
- আজি/ অগস্ত্য বৰুৱা/৮৪
- ফাগুনে তেজৰ ফাঁকু ছটিয়ায় /শৰৎ বৰকাকতি/৮৫
- প্ৰেম/মদন চন্দ্ৰ ডেকা/৮৭
- এদিন আহিবা/ কঙ্কন শৰ্ম্মা/৮৮
- ভোগালীৰ দিনা/ জয়ন্ত বৰদলৈ/৯০
- নিয়ৰত হেৰোৱা কৈশোৰ/ তপোধন দাস/৯১
- প্ৰেম/ৰত্ন কান্ত শৰ্ম্মা/৯২
- হেৰোৱা খোজ বিচাৰি/ শৰৎ বৰকাকতি/৯৩
- অপেক্ষা/ মদন চন্দ্ৰ ডেকা/৯৪
- অপেক্ষা/ কঙ্কন শৰ্ম্মা/৯৪
- অপেক্ষা/ মীনাক্ষি ৰায় ডাকুৱা/৯৫
- মোৰ স্বপ্নৰে .../ ৰুমিমা দাস/৯৬
- অভাৱ/অমল শইকীয়া/৯৭
- বতৰ/কঙ্কন শৰ্ম্মা/৯৮
- পানী/তপোধন দাস/৯৯
- আগলি ব'হাগৰ বিৰহ/শৰৎ বৰকাকতি/১০০
- সৰস্বতী/অগস্ত্য বৰুৱা/১০২
- তোমাৰ বাবে/ জোনা মহন্ত/১০৪
- অনুভূতি/পঙ্কজ কুমাৰ বৰুৱা/১০৬
- শৰৎ/মদন চন্দ্ৰ ডেকা/১০৭
- শৰৎ/ মীনাক্ষি ৰায় ডাকুৱা/১০৮

কাব্য ভাবনা


- Greetings Card/ কঙ্কন শৰ্ম্মা/১১০
- গীত ঃ নতুন বছৰ/ জয়ন্ত বৰদলৈ/১১১
- জীৱনৰ অৰ্থ বিচাৰি.../শৰৎ বৰকাকতি/১১২
- এনেকৈয়ে দিন/ মদন চন্দ্ৰ ডেকা/১১৩
- বগীবিল/ তপোধন দাস/১১৪
- মন ফুলনিৰ ফুল/ৰত্ন কান্ত শৰ্ম্মা/১১৫
- প্ৰাত্যহিকতা/মদন চন্দ্ৰ ডেকা/১১৬
- হৃদয় সংবাদ ঃ দুটি স্তৱক/মীনাক্ষি ৰায় ডাকুৱা/১১৭
- হঠাৎ এদিন মহানগৰীত/ অগস্ত্য বৰুৱা/১১৮
- আমি আহিলোঁ/ অমল শইকীয়া/১২০
- কণ্ঠ হেৰাই গ'ল/ৰত্নকান্ত শৰ্ম্মা/১২১
- দীপালি বৰঠাকুৰ-নীলপৱন বৰুৱা সমীপেষু/মদন চন্দ্ৰ ডেকা/১২২
- সুবাস/পূৰ্ণেন্দু শৰ্ম্মা/১২৩
- "মা"/ তপোধন দাস/১২৪
- এলাগী-পাগলী/ জয়ন্ত বৰদলৈ/১২৫
- পৰীজনী/ মদন চন্দ্ৰ ডেকা/১২৬
- জীৱনৰ গান/ অমল শইকীয়া/১২৮
- উতনুৱা সোঁত/ শৰৎ বৰকাকতি/১২৯
- শেষ চুম্বন/ জয়ন্ত বৰদলৈ/১৩১
- পাখি লগা মন/মদন চন্দ্ৰ ডেকা/১৩২
- মধুমিতা/ৰত্নকান্ত শৰ্ম্মা/১৩৩
- স্পৰ্শ/বিৰাজ জ্যোতি গোস্বামী/১৩৪
- কোলাহল/ পূৰ্ণেন্দু শৰ্ম্মা/১৩৫
- পোহৰ/ কস্তুৰী নিভা গগৈ/১৩৬
- অপেক্ষাৰ গুণ গুণ/ শৰৎ বৰকাকতি/১৩৭
- ভালপোৱা অনন্য/ তপোধন দাস/১৩৮
- অভিমানী ফাগুন/ অমল শইকীয়া/১৩৯
- ফাগুন/ মদন চন্দ্ৰ ডেকা/১৪০
- চিঁয়াহী/তপোধন দাস/১৪১
- প্ৰেম/পূৰ্ণেন্দু শৰ্ম্মা/১৪৩
- এনেকৈ এদিন বৰষুণে নাচিব/ অমল শইকীয়া/১৪৪
- গাঁৱত সন্ধিয়াৰ বৰষুণ/ মদন চন্দ্ৰ ডেকা/১৪৫

## কাব্য ভাবনা


- তিনিটা স্তৱক/কঙ্কন শৰ্ম্মা/১৪৭
- বতৰ চাই কঠীয়া/মদন চন্দ্ৰ ডেকা/১৪৮
- প্ৰেমৰ উৎস বিচাৰি/শৰৎ বৰকাকতি/১৪৯
- বোধ/কঙ্কন শৰ্ম্মা/১৫১
- নীলাঞ্জনা/ৰত্ন কান্ত শৰ্ম্মা/১৫২
- সেউজীয়া সুৰ/ অগস্ত্য বৰুৱা/১৫৩
- আউল লগা মনৰ গীত/ শৰৎ বৰকাকতি/১৫৫
- ফুল শেৱালি ফুল/ অমল শইকীয়া/১৫৬
- কবিতা/ তপোধন দাস/১৫৭
- সফলতা/ জোনা মহন্ত/১৫৮
- কমলা কুঁৱৰীৰ সাধু/ মদন চন্দ্ৰ ডেকা/১৬০
- উৰণীয়া পখী/ৰত্ন কান্ত শৰ্ম্মা/১৬১
- পিৰপিৰণি ঃ বিহু বুলি/ শৰৎ বৰকাকতি/১৬২
- ফাগুনতেই আহিম/ অশোক ভট্টাচাৰ্য্য/১৬৪
- ৰাতিপুৱা মনটো ফৰকাল হ'ল/ কঙ্কন শৰ্ম্মা/১৬৫
- সেউজীয়া অৰণ্যৰ বতাহ/ অমল শইকীয়া/১৬৬
- বালিভাত/ মদন চন্দ্ৰ ডেকা/১৬৭
- সৰগৰ স্মৃতি/ তপোধন দাস/১৬৮
- বসন্তৰ অপেক্ষাত/ ৰত্ন কান্ত শৰ্ম্মা/১৭০
- বসন্তই আমনি কৰে/ শৰৎ বৰকাকতি/১৭১
- কুশীলৱ/ মদন চন্দ্ৰ ডেকা/১৭৩
- হঠাতে আহিল এমুঠি জোনাক/ অমল শইকীয়া/১৭৫
- নগৰত জগৰ/ মদন চন্দ্ৰ ডেকা/১৭৬
- অগস্ত্যৰ বতৰা.../ তপোধন দাস/১৭৭
- উচাটন/ মদন চন্দ্ৰ ডেকা/১৭৮
- শৰৎ/ ৰত্নকান্ত শৰ্ম্মা/১৭৯
- My whereabouts/ শৰৎ বৰকাকতি/১৮০
- হালধীয়াৰ গান/ মদন চন্দ্ৰ ডেকা/১৮২
- অভিসাৰ/ ৰত্ন কান্ত শৰ্ম্মা/১৮৩
- মোৰ ভাব/জোনা মহন্ত/১৮৫
- যদি মনে কয়.../ অমল শইকীয়া/১৮৭
- বতৰৰ গান/ শৰৎ বৰকাকতি/১৮৯
- হাৰায়ে খুঁজি/মীনাক্ষি ৰায় ডাকুৱা/১৯১

# Re-union

**অগস্ত্য বৰুৱা**

হাতৰ মুঠিত অনা বগৰীকেইটা দিয়া হাতখন বিচাৰি
আছিলোঁ কত কাল

বেঞ্চৰ ওপৰত থিয় কৰাই থোৱা
বাৰাণ্ডাত আঁঠু কঢ়াৰ দুখবোৰ সাঁচি থৈছিল
তেওঁৰ চকুৰ কোণত

এজাক পছোৱাৰ দৰে তেওঁ গুচি গৈছিল
পথাৰৰ পুখুৰীটো শুকুৱাই থৈ

আলোকোজ্জ্বল সন্ধিয়াৰ সঙ্গীতৰ মাজত
সকলো উভতি গৈছিল মধুৰ দিনবোৰলৈ

একোটা শব্দত ফুল ফুলিছিল
একোটা গানত নৈ বৈ গৈছিল
সাগৰখন কোনেও সৃষ্টি কৰা নাছিল তেতিয়ালৈকে

বুটা বছা আকাশখনত তেতিয়া নাছিল
মেঘৰ লুকা ভাকু
হাঁহিৰ ফোৱাৰাত লুকাইছিল হুমুনিয়াহবোৰ

## কাব্য ভাবনা

কোনেও বিচৰা নাছিল ইজনে সিজনৰ
মূৰৰ ৰূপালী চুলি
চকুৰ গুৰিৰ কাউৰীখুজীয়া আঁচ

প্ৰত্যেকেই সাঁতুৰিবলৈ লৈছিল
এখন এৰি অহা সাগৰত
আপোন সময়- যৌৱনৰ মাদকতাত।।



# আমি এবাৰ উভতি চাওঁ

কঙ্কন শৰ্ম্মা

এই ক্ষণটোৰ বাবেই আছিলোঁ ৰই
চাৰিটা দশক পাৰ হৈ
পালোনে বাৰু আমাৰ হেঁপাহৰ সপোনবোৰ?
আহা, একেলগে এবাৰ বহোঁ
ফিজিক্স, কেমেষ্ট্ৰি, ব'টানি অথবা
জুলজিৰ গেলেৰিত-!
চাওঁ আহা এবাৰ- বীৰেণ বৰুৱা, বদ্য ভূঞা
অপৰ্ণা বুজৰবৰুৱা অথবা তাৰকেশ্বৰ চৌধুৰী
ছাৰ আৰু ...
প্ৰথম যৌৱনৰ সপোন - কটনৰ সপোন !
সপোনবোৰ দৌৰি যায় ফাৰ্ষ্ট, চেকেণ্ড, থাৰ্ড
মেচ- কস্মো অথবা নিউ বা ডি এচ-
নতুবা মুছলিম হোষ্টেলৰ চোতালেদি
সপোনবোৰে- দীঘলীপুখুৰী পাৰত-
পঁইতাচোৰাৰ অন্ত্ৰ চায়-
সপোনবোৰে পুলি পোখা মেলি
আমাক লৈ গ'ল দূৰ দূৰলৈ-
হে মোৰ সহপাঠী!
আমি সপোনক খেদি খেদি আঁতৰি গলোঁ
মই ঘূৰি যাব খোজো '৭৫ লৈ

## কাব্য ভাবনা

মই হেৰাই যাব খোজোঁ
কৈশোৰ এৰি জীৱন বাটত খোজ দিয়া
দিনবোৰলৈ ...
তোমালোকে মোক চিনি পাবানে?
মই তোমালোকক চিনিব পাৰিমনে?
চোৱাচোন সময়ে কেনে সাজ পিন্ধালে আমাক
মনটোচোন এতিয়াও তাহানিৰ কটনিয়ান !
জীৱনে কি শিকালে এবাৰ কোৱাচোন?
কিহে টানিছে আমাক ইমানকৈ?
সকলো পায়ো ২০ জানুৱাৰিলৈ উদ্বাউল কিয়?
মই এবাৰ তোমালোকক চাব খোজোঁ
এবাৰ কথা হ'ব খোজোঁ
অলপ অনুভৱ, অলপ নষ্টালজিয়া
কিছু সত্যৰ মুখামুখি হ'ব খোজোঁ-
এক আবেগে বান্ধিছে-
কটনৰ আবেগ !
আহা আমি আৰু এবাৰ উভতি যাওঁ
সেই দিনবোৰলৈ ...
উছাহ উছাহ আৰু উছাহ।
নাই অন্য একো
নাই সন্ত্ৰাস, অপহৰণ অথবা ...
আহা বন্ধু !
এবাৰ লগ পাওঁ, এবাৰ মাথোঁ
মনত পেলাওঁ- ভৱিষ্যতৰ সপোন দেখা
এজাক ছাতৰৰ, প্ৰথম কলেজীয়া দিনৰ
কিছু কথা !

# কটন কলেজ

**পঙ্কজ কুমাৰ নেওগ**

কটন কলেজ- প্ৰণামোঁ তোমাক
বিদ্যালয় শিক্ষান্তৰ পাছত
আদৰিলা আমাক আলফুলকৈ
কৈশোৰ-যৌৱনৰ দোমোজাত,
দুৰু দুৰু হৃদয়ৰে, ভয়াৰ্ত্ত চাৱনিৰে
তোমাৰ চৌহদত ভৰি দিয়া দিনটো
আজিও মনত পৰে জ্বলজ্বল পট্‌পট্‌কৈ।
মোৰ পিতামহ, পিতা, মাতা আৰু
ভ্ৰাতাৰ পিছতে মোক দিলা আশ্ৰয় তুমি
তোমাৰ কোলাতে-
জলালা হিয়াত শিক্ষা বন্তিৰ অমোঘ অনল।
শৈশৱতে শুনিছিলোঁ বহুত কথা আইৰ মুখত
উজলি উঠা চকুহালিৰে ৰোমন্থন কৰা
তোমাৰ গৌৰৱোজ্জ্বল গাঁথা-
পি. চি. ৰয়, বাণী কাকতি, সূৰ্য্য ভূএগ্ৰা,
দিবাকৰ গোঁসাই আদি অলেখ
শিক্ষাগুৰুৰ অনন্ত গুণানুকীৰ্ত্তন-
থৰ লাগি শুনি ভাবিছিলোঁ-
"হ'ম গৈ নে কেতিয়াবা ভাগ্যৱান মই
থৱলৈ খোজ তোমাৰ দুৱাৰদলিত"?

## কাব্য ভাবনা

শৈশৱৰ শঙ্কা আৰু দোমোজা আঁতৰাই,
আদৰি ল'লা তুমি মোক কটন কলেজ
তোমাৰ বক্ষতে যেন জিৰণি লৈ,
পালোঁ সেই অমৃত কুম্ভৰ সন্ধান।

আগবাঢ়া আগবাঢ়া হে তুমি হৈ
শিক্ষাৰ অনিৰ্ব্বাণ জ্যোতি,
জগজ্জননীত বিলাই যোৱা তোমাৰ
সুৰভি অম্লান-
আগুৱান হওক আজিৰ আৰু অনাগত
দিনৰ ন-পুৰুষ
তোমাৰ দুৱাৰদলি গচকি,
লক্ষ্যৰ উত্তুঙ্গ শিখৰ হওক প্ৰতীয়মান।



# স্মৃতিৰে উমলোঁ আহা

**কস্তুৰী নিভা গগৈ**

সময় বৈ গ'ল বোৱতী নদীৰ দৰেই
উটুৱাই লৈ গ'ল জীৱনৰ পল অনুপল
শিক্ষা জীৱনৰ অভিজ্ঞতাৰে
কৰ্ম্মৰাজিৰ ডুখৰীয়া ছবিৰে
জীৱন সমুদ্ৰৰ ঢল উখল মাখল,

বাৰে বৰণীয়া জ্ঞান গৰিমাৰে পৰিপুষ্ট
আমাৰ জীৱনৰ ক্ষুদ্ৰ পৰিসৰ
চৌপাশে চৌদিশে ভৰপূৰ
আত্মীয় পৰিয়াল পৰিজন
তথাপি নিঃস্ব আমি
যদিহে নাই বন্ধু বান্ধৱ হৃদয়ৰ আপোনজন,

কৈশোৰ পাৰ হৈ এটি ক্ষণ এটি অনুভৱ
'৭৫ ৰ বুকুত "জৰুৰী কালীন"তে এৰি অহা সেই দিন
আগলি যৌৱনৰ উচ্ছল সেই দিনৰ স্মৃতিয়ে
আজিও হেন্দোলনি তোলে মনে প্ৰাণে
ওভোতাই লৈ যায়
প্ৰাণী বিজ্ঞানৰ পৰা পদাৰ্থ বিজ্ঞানলৈ
উদ্ভিদ বিজ্ঞানৰ পৰা ৰসায়নলৈ
(জুলজিৰ পৰা ফিজিক্স বিল্ডিঙলৈ

কাব্য ভাবনা

বট্‌নিৰ পৰা কেমেষ্ট্ৰিৰ গেলেৰিলৈ)
পাহৰিব পাৰিনে অঙ্কৰ বাপুকৃষ্ণ ছাৰক
পাহৰিব পাৰিনে কেমেষ্ট্ৰিৰ মৃদুলা বাইদেউক

নতুবা বট্‌নিৰ অপৰ্ণা বাইদেউক
ফিজিক্সৰ ক্ৰোড়ী ছাৰক আৰু
ইংৰাজীৰ দেৱেন দত্ত ছাৰক একা?

জীৱন নদীৰ কোবাল সোঁতত
সকলো উটি গ'ল
বৈ বৈ গ'ল সোণোৱালী সোঁৱৰণী
হৃদয় আজিও উখল মাখল
কি যে উচ্ছল
নিৰ্দোষ ধেমালিৰ সেই দিন
বৈ গ'ল মাথোঁ সোণসেৰীয়া বাখৰুৱা স্মৃতি,

হে সহপাঠী হে সহযাত্ৰী প্ৰণামোঁ বাৰম্বাৰ
হে সহপাঠী হে সহযাত্ৰী তোমাক নমস্কাৰ।

# বন্ধুত্ব

জোনা মহন্ত

আহিবা তুমি মোৰ ঘৰলৈ,
কথা পাতিম হিয়া উজাৰি,
নাই তাত কোনো
পোৰা নোপোৰাৰ হিচাব,
নাই তাত কোনো
স্বাৰ্থৰ গণিত,
স্মৰণ কৰিম
মাথোঁ এৰি অহা
সোণালী দিনবোৰৰ
তোমাৰ স'তে,

বিশ্বাস কৰোঁ দৃঢ়তাৰে
পবিত্ৰ আমাৰ
এই সম্পৰ্ক,
যাৰ অবিহনে
জীৱনটো ৰং বিহীন
যিহেতু, তোমাৰ স'তে
মোৰ বন্ধুত্ব,

নিচা আৰু মাদকতাৰ
পথলৈ আমন্ত্ৰণ কৰে
বহুতেই বহুতক,

## কাব্য ভাবনা

জীৱনৰ মসৃণ পথলৈ
তুমিয়েই লৈ যাবা আগুৱাই।

মৰ্য্যাদাৰ তুলাৰে
এজনে আন জনক
হীন ভাবেৰে
নকৰিবা অৱজ্ঞা,

চিৰকাল থাকিবা
মোৰ সমকক্ষ হৈ
যিহেতু তোমাৰ স'তে
মোৰ বন্ধুত্ব।

এন্ধাৰৰ সুযোগ লৈ
বহুতেই খেলে
যৌৱনৰ খেল
আনে নেদেখাকৈ,

তুমি আহিবা
সকলোৱে দেখাকৈ
নিস্বাৰ্থভাৱে
তুমি যে মোৰ
প্ৰকৃত বন্ধু।

# সপোনৰ কোলাহল

**শৰৎ বৰকাকতি**

মাজনিশা মোৰ টোপনি ভাগিল
দুৱাৰত কাৰোবাৰ টোকৰ পৰিল
চকু মেল খালে কি নেখালে
এজাক সপোন সোমাই আহিল

কাৰ কথা শুনোঁ, কাক বাদ দিওঁ
উজাগৰী চকুত ভাগৰ লাগিল
নিজক জাহিৰ কৰাৰ জেদত
প্ৰতিটো সপোনে চিঞৰি থাকিল

দিনটোত আছে ইমান কাম
সময় অপচয় বুলি চেতনা জাগিল
সপোনজাকক খেদি দিওঁ বুলি গলোঁ
নিঃসঙ্গ হওঁ বুলি ভয় লাগিল।

# লগ পাম বন্ধু ঃ গীতেৰে আহ্বান

**শৰৎ বৰকাকতি**

আকৌ কেতিয়াবা
লগ পাম বন্ধু
জীৱনৰ কোনোবা ঘাটত
তাহানিৰ কাহিনী
একেলগে সুঁৱৰিম
ক'ৰবাত আজৰি পৰত।

হয়তো কাহানিও
নহবই দেখা
তথাপিও সাঁচি থবা
এটি দুটি স্মৃতি গাঁথা
হিয়াৰ কোনোবা কোণত
নম্বৰ পাওঁ যদি
প্ৰাণ ভৰি কথা হ'ম
কেতিয়াবা ম'বাইল ফোনত।

কিজানি নেপাব পাৰোঁ
প্ৰথমতে চিনি
তথাপি আহিবা
এবাৰ চিনাকিটো দিবা
খোজ দিম কথা পাতি

## কাব্য ভাবনা

আবেলিৰ নদীৰ পাৰত
জিলিকি উঠিব পাৰে
ৰামধেনু ৰং
সূৰ্য্যাস্তৰ পোহৰতো
আমাৰ ধূসৰ মুখত।



# অগস্ত্যলৈ একলম ...

**মদন চন্দ্ৰ ডেকা**

কি তোমাৰ পৰিচয়
পৰাশৰ গৌতম নে কাশ্যপ?
আজন্ম চিনাকি তুমি অগস্ত্য নামেৰে
মনত পৰেনে কি যাদুকৰী শক্তিৰে
নতশিৰ বিন্ধ্য পৰ্ব্বত
আহিছিলানে সিপাৰ হৈ কেতিয়াবা
আপোন জন্মভূমিলৈ
হৈছিল নে শাপমুক্তি বিন্ধ্যৰ
অগস্ত্য যাত্ৰাৰ শেষত

হৈ ৰ'লা তুমি চিৰ কুহেলিকাময়
দ্ৰাবিড়ী ক্ষীণ প্ৰতিৰোধ
আৰ্য্যাৱৰ্ত্তৰ কুটিলতা
হিমালয় উচ্চতাৰ চিৰতৰে পৰিহাস
বিন্ধ্যৰ খৰ্ব্বকায় অস্তিত্ব
আকাশ চোৱাৰ সপোন
হ'বনে সাকাৰ?

# পাণবজাৰৰ আবেলি

অগস্ত্য বৰুৱা

নিজৰ লগত কথা পাতি পাতি
এক বিষণ্ণ আবেলি
বহি গ'লোঁ
মহামায়াৰ চুকৰ টেবুলত

একাপ চাহ, মই আৰু কিছু সাঁচিপতীয়া সময়

আঙুলিৰ ফাকেৰে সৰকি যোৱা
বহু মায়াময় সময়ৰ পিছতো
একেই আছে
সেই আপোন আপোন লগা চিনাকি গোন্ধ

নাই কিন্তু আপোন মানুহ

কটন হোষ্টেলৰ কৰিড'ৰেদি
আহ-যাহ কৰা মোৰ সুহৃদবোৰ নাই

নাই বন্ধ গেটৰ কাষৰ লোহা বেকা কৰি আহ-যাহ
কৰা ফুটাটো

একেই আছে হোষ্টেলটো
চিনাকি চিএঁৰবোৰ নাই

## কাব্য ভাবনা

ৰেল ষ্টেচনলৈ যোৱা বাটত থকা
চেলুনখন নাই
য'ত সকলো নৱাগতৰ
হৈছিল মোছ বিসৰ্জ্জন

চাহৰ দোকান কেইখন
গিলি পেলালে
একোটা বৃহৎ অট্টালিকাই
য'ত লাগি আছে
নৰহৰি কাইৰ ঘোলা দৃষ্টি

দীঘলী পুখুৰীৰ পাৰত
সুগন্ধ আছে

সেয়াতো অচিনাকি গোন্ধ

পুখুৰীটোলৈ চালোঁ
সকলো একেই আছেনে বাৰু
এটা সুহুৰি মোক নোচোৱাকৈ
পাৰ হৈ
ৰজনজনাই গ'ল
পানবজাৰৰ আবেলি

স্থিতপ্ৰজ্ঞ হৈ ৰ'লোঁ মই
সকলো সলনি হ'ল

একেই আছে মাথোঁ
চিৰন্তন
মাটি আৰু স্মৃতি।।

# সূৰ্য্যমুখী

ৰুমিমা দাস

উদং কৰি দিলোঁ মোৰ
হৃদয়ৰ সঞ্চিত দুখ
নিৰ্দ্দয় দুখবোৰে
খুলি খুলি দ কৰে
বুকুৰ পুৰণি ঘাঁ
সেয়ে ক্ষোভৰ ভাটিত
দুখবোৰ পিতি
গঢ়ি ললোঁ ইস্পাটৰ
কঠিন হৃদয়
এতিয়া প্ৰভাতে প্ৰভাতে
মোৰ দুৱাৰদলিত
ফুলে সূৰ্য্যমুখী ফুল।

# দুখ

মদন চন্দ্ৰ ডেকা

দুখ কি
দুখতো আমাৰ নিত্য সহচৰী
ৰক্তাক্ত আমাৰ কলিজা
হৃদয় ভগাৰ শব্দ অহৰহ
আচলতে দুখৰ বোকাৰে সিক্ত
আমাৰ জীৱন
তথাপি আমাৰ আশা
দুখৰ ক'লা মেঘৰ সিপাৰে
সুখৰ আলোক
আমালৈকে আছে বাট চাই।

# ওপজা দিনৰ ওলগ

(ফাইজুৰৰ জন্মদিন উপলক্ষ্যে)

**কস্তুৰী নিভা গগৈ**

আজি তোমাৰ ওপজা দিন
কিমান তাৰিখ
কি বাৰ
পুৱা দুপৰীয়া আবেলি অথবা ৰাতি
তুমি উপজিছিলা কান্দি কাটি
তোমাক নিচুকাইছিল হাঁহি মাতি
আপোনজনে আপোনমনে,
তোমাৰ জন্মদিন
অতি শুভদিন
সুন্দৰ পৃথিৱীলৈ আহিছিলা
দেৱশিশু হৈ
সৰগৰ অমিয়া ৰহঘৰা লৈ,
তোমাৰ জন্মদিন
ধৰণীৰ সৈতে পৰিচয়ৰ সুদিন
পৰিয়ালত আনন্দৰ বন্যা
ল'ৰা অথবা ছোৱালী যিয়েই নোহোৱা
পুৱা গধূলি নিশা বা দুপৰীয়া
কি তাৰিখ
কি বাৰ
কিমান সময় তেতিয়া?

কাব্য ভাবনা

যিয়েই নহওক
তোমাৰ জন্মদিন অতি শুভদিন
তোমাৰ আগমন অতি শুভক্ষণ
যাঁচিলো  ওলগ
ওপজা দিনৰ সহস্র ওলগ।



# জন্মদিনের গান

মীনাক্ষি রায় ডাকুৱা

তুমি এসেছিলে আজকের দিনে
তোমার প'রে ঈশ্বরের আশীর্ব্বাদ নিয়ে
তাই সূর্য্য উঠে ভোরে
তুমি এসেছিলে আজকের দিনে
পাখিরা সব গান গায়
তাই সুমধুর তানে
তুমি এসেছিলে আজকের দিনে
ফুল ফোটে রোজ
তাই সবুজ বনে
তুমি এসেছিলে আজকের দিনে
হাসি-খুশি উপ্‌চে পড়ে
তাই সবার মনে মনে

তুমি এসেছিলে আজকের দিনে
ফুরফুরানি হাওয়ায় নাচে
তাই প্রজাপতির পাখা
তুমি এসেছিলে আজকের দিনে
সকলের হৃদয়ে হৃদয়ে
তাই খুশির আবীর মাখা।

(ফাইজুর কে জন্মদিনের প্রীতি উপহার)

# ফাগুনৰ ৰং

পঙ্কজ কুমাৰ বৰুৱা

ফাগুনৰ ৰং কি
ৰঙা হালধীয়া সুমথিৰা?
শিমলু, পলাশ আৰু ৰঙা মদাৰে
ৰঙা বুলিয়ে ক'লে
কিন্তু ফাগুনৰ ৰং সেয়া নহয়,
ফাগুনৰ ৰং জুই
হয়, জুই লগায় ফাগুনে
আকাশত বতাহত ধৰাত
আৰু আমাৰ উতলি উঠা মনত
জীৱন ফাগুনৰ ৰং জুই
মদাৰৰ জুই শিখাই
সমাজত ৰং সানে
এই ৰং আভিজাত্যৰ নহয়,
এই ৰং ধনৱন্তৰো নহয়
এই ৰং প্ৰকৃতিৰ,
সকলোৰে বাবে,
সাধাৰণ অসাধাৰণ ইয়াত নাই
ফাগুনৰ পছোৱাই
ৰঙৰ বতৰা বিয়পায়
পলাশ ৰঙা মৰমে
প্ৰেমৰ বতৰা কঢ়িয়াই

## কাব্য ভাবনা

কোনোবা প্ৰেমিক-প্ৰেমিকাৰ
হিয়া জুৰায়
আঁচল উৰুৱাই প্ৰেমিকাই
আকাশলৈ চাই ৰয়,
আকাশত মদাৰ ৰঙা জুই
মন প্ৰাণ কৰে ৰাঁই-জাঁই
ফাগুনৰ পছোৱাই
তাকেই বিলাই যায়,
প্ৰকৃতিৰ অনন্য ৰূপ,
তুলনা যে নাই।

# অনামী নিঃসঙ্গতা

**শৰৎ বৰকাকতি**

দিল্লীত
উৰিবলৈ শিকিলোঁ
যুঁজিবলৈ শিকিলোঁ
সমাজৰ দীঘবাণি চিনি
আগৰণুৱা হ'লোঁ
ভুল, শুদ্ধ, জয়, পৰাজয়
হাঁহি, চকুপানী
মান, অপমান
খং, অভিমান
কষটি শিলত
খোদাই কৰি কৰি গ'লোঁ
কাষতে আছিলা তুমি
মোৰ জীৱনৰ জোৰ হৈ
প্ৰেমৰ প্ৰেৰণা হৈ
মনৰ ঘামবোৰ
ওলালেই মচি মচি
সৰু সৰু সফলতাৰ
ইতিহাস ৰচি ৰচি
নাৱৰ গুৰিবঠা ধৰি
ধুমুহাতো অবিচল আছিলা তুমি
তোমাৰ সকিয়নিৰ

## কাব্য ভাবনা

সুহুৰিৰ মাতটো
কেতিয়াবা লাগিছিল
অদ্ভুত কৰ্কশ
আজি ভাবোঁ
মোৰ বাবে খোজকঢ়া
তেনেকৈয়ে চাগে হৈছিল সহজ
পৰিপূৰ্ণতাৰ অনুভূতিততো
বেছিভাগ তোমাৰে স্বাক্ষৰ
আজি মই
দিল্লীত অকলে
আহিছোঁ দুদিনৰ বাবে
তথাপি কিয় জানো
মনটো আৱৰি ধৰে
এক অভাৱৰ অনুভৱে
সৰুকৈ ঘৰটো আমাৰ
তুমিযে ইমান মৰমেৰে সজালা
পৰ্দ্দা, বেটৰ চোফা, প্ৰকাণ্ড জাপি
খোলা পাকঘৰ
ফুলৰ টাব, ফুলদানি
সকলোতে তোমাৰ পৰশ
ইমান পৰিস্ফুট
ইমানযে পৰিচ্ছন্ন আচবাববোৰ
আজি চাইছোঁ অকলে বহি বহি
এদিন ভৰপূৰ ঘৰখন আজি উকা উকা
নতুন সংসাৰ পাতি
ওলাই গ'ল কলিজা যেন কন্যা দুয়োজনী
এই যেন তাইৰ কোঠাৰ দুৱাৰ খুলি
সৰু কন্যা ওলাই আহিব
হয় মই, নহলে তাই মোক জোকাব

## কাব্য ভাবনা

ডাঙৰজনীয়ে কেঁচা আমলখি কাটি
মই খামনেকি সুধিব
বৰ অকলশৰীয়া লাগে জানানে
তুমি এই ঘৰটোত নেথাকিলে...
আমাৰ ঘামৰ সুগন্ধবোৰ যেন
আজিও বতাহত উৰি ফুৰে
হিয়াখন মোচৰ খাই উঠে
চকুপানীবোৰ এক অসহায় বেদনাত
টোপ টোপ কৈ সৰে।



# হিৰণ্ময়ী দীপ্তি

**মদন চন্দ্ৰ ডেকা**

দীপ্তি হিৰণ্ময়ী
দুচকুত অযুত সপোন

দীঘলী পুখুৰীৰ পাৰত
ব'টানিৰ প্ৰেক্টিকেল
স্মিতাক্ষী পাটগাভৰু পাণবজাৰ
ক্লাছত মন নে
'মহামায়া'ৰ পোলাও

মেথ্ছৰ ক্লাছ ফিজিক্সৰ পিছত
ইংৰাজীও হ'ব পাৰে

কান্ধত মৰাপাটৰ ফুল থকা বেগ
এক মিনিট পলম
আগৰ বেঞ্চত ঠাই নাই
আধা শুনি
নৰকান্ত বৰুৱা ছাৰৰ ক্লাছ

সময় ক'ত সপোন দেখাৰ
সময় পাখি লগা কাঁড়

## কাব্য ভাবনা

কথা কবিতাৰ সংজ্ঞা নে
নিউটনৰ গতিসূত্ৰ
অৰ্গেনিক কেমেষ্ট্ৰি

কেৱল দৌৰাৰ সময়
মেডিকেলৰ চিটটো
ইঞ্জিনিয়াৰিং কলেজ
মানৱ অধিকাৰৰ প্ৰবক্তা?

সম্ভৱ সকলো
মানুহ হোৱাৰ সপোন?

মানৱতাৰ জয়গান
হিৰন্ময়ী চেতনাৰ
অন্তঃ সলিল জুৰি
নিৰৱধি সময়ে দৃঢ় কৰে
বন্ধুত্বৰ হাত

পাণবজাৰ দীঘলীপুখুৰীৰ পাৰ
যেন এক সেউজীয়া সপোন

স্মৃতিৰ ৰহঘৰা খুলি লোৱা
হিৰণ্ময়ী দীপ্তি।

# বসন্তৰ এটি নতুন পুৱা

বিৰাজ জ্যোতি গোস্বামী

বসন্তৰ এটি নতুন পুৱা
মোৰ পদূলিৰ নাহৰ জুপিত নাচে
বতাহৰ অশান্ত প্লাৱন
ৰ'দে ধোৱা মোৰ
সৰু ফুলনিখনত
গাভৰু গোলাপজনীৰ
কাঁইটত ভৰপক যৌৱন-
উদ্দীপ্ত অনিৰুদ্ধ
শব্দৰ প্ৰাচুৰ্য্যৰে কলকলাই থকা
কপৌহালৰ আগ্ৰাসী ভ্ৰমণ-
গৰ্ভৱতী বসুন্ধৰাই পিন্ধাই দিছে
সৌ সিদিনাৰ বিবস্ত্ৰা আঁহতজোপাক
বসন্তৰ সেউজ কোমল আচ্ছাদন-
আৰু মই ...
গাভিনী আকাশৰ গোমা চকুত
শেঁতা পৰি থকা
বেলিটোৰ দৰেই নিশ্চল।

# ঠিক এনেকুৱাই ...

**অমল শইকীয়া**

কেতিয়াবা ঠিক এনেকুৱাই হয়
ভাষাবোৰতকৈ ভাবনাবোৰ বেছি পৈণত হৈ পৰে
খহে, ভাগে,
পুনৰ কঠিন

কামতকৈ মনটো বেছি আগ্ৰাসী হয়
একে উশাহতে টানি আনিব খোজে
পৃথিৱীৰ সমস্ত সত্তা

জিৰণিৰ প্ৰয়োজনবোৰ মনটোৱে নুবুজে
অবুজ শিশুৰ ভাবনাৰে

হাঁহিতকৈ দুখৰ বীজবোৰে বেছিকৈ গঁজালি মেলে
তৎকালে পাত ধৰে
জাতিষ্কাৰ হৈ মোকে কোঙা কৰে

উদ্যমতকৈ বেপেৰুৱা এলাহবোৰে সাপৰ দৰে
নুৰিয়াই ধৰে শৰীৰ আৰু মন
আস্থাহীনতাৰ কোবাল সোঁতত উটি যায় জীৱনৰ
আশাবাদী গীতবোৰ

তথাপি সময়ে জাপি দিয়া
উশাহৰ ছন্দ আৰু সচেতনতাৰ ৰ'দৰ হাঁহিত
নিজক বিলীন কৰি জীয়াই আছোঁ আমি
কাৰণ
আমি মানুহ
কৰ্ম্মই আমাৰ জীৱনৰ গীত।



# জিমিৰী গাঁৱৰ ধুনীয়া ছোৱালীজনী

**ৰত্নকান্ত শৰ্ম্মা**

জোনাকে উমলে নৈৰ স'তে
বতাহে খেলে ধাননিৰ স'তে
হাৱাচুৰ নৈৰ পাৰৰ গাঁওখনি
জিমিৰী  গাঁও
জিমিৰী গাঁৱত এৰাতি
মল্লিকা নে মেঘালী তেনে কিবা এটা নামেৰে
জিমিৰী গাঁৱৰ সেই ধুনীয়া ছোৱালীজনী
ঘৰলৈ উভতিছে
আঘোণ মাহৰ গধূলি
বোকোচাত তাইৰ সুমথিৰাৰ হোৰা
বুকুত আঘোণৰ পথাৰখনি
সোণালী ধানৰ বৰণেৰে দেহৰ বৰণ
সোণবৰণীয়া
পকা সুমথিৰা ৰঙৰ মুখখনি
সোণ হালধীয়া
ধানৰ পাতৰ দৰে
লিহিৰি লিহিৰি হাত
যাযাবৰী কুঁৱলীয়ে
বাৰে বাৰে বাট ভেটি ধৰে
জোনাকে দেখুৱায় বাট

## কাব্য ভাবনা

কপালত আঁকি দি
যাযাবৰী চুমা
দুকুৰি বছৰ অতীতলৈ
উভতিলোঁ
কাৰোবাৰ তপত নিশ্বাসে
টুকুৰিয়াই গ'ল
হৃদয়ৰ দুৱাৰ
দুৱাৰ খুলি দিলোঁ
মৃদু মলয়াৰে সোমাই আহিল
অভিসাৰী ৰাতিৰ বাখৰুৱা গোন্ধ
খোল খাই গ'ল
কোঁচমোচ খোৱা
বাসনাৰ চাদৰেৰে মেৰিয়াই থোৱা
ধূলি ধুসৰিত
গোপন দুখিলা পাত
এখিলা আধালিখা
এটি বিমূৰ্ত্ত কবিতাৰ
সমুদ্ৰ চঞ্চল ঢৌ
আৰু আছে
শেষ ৰাতিৰ জোনাকৰ
ভাগৰুৱা ৰাগ অনুভূতি
আনখিলাত আছে মন অজন্তাৰ নিশা
কামনাৰে মূৰ্ত্ত
এখন ধূসৰ প্ৰেমৰ ছবি
কুঁৱলীয়ে সনা
ঘন ঘন নিশ্বাসৰ
অৰ্ধ নিমীলিত দুচকু।

# বিহু বুলি নহয়

কঙ্কন শৰ্ম্মা

বিহু বুলি নেলাগে
এপলক এনেদৰে বহোঁ আহা।
লগ হৈ হৃদয়ৰ কথা পাতোঁ
পাহৰি পেলাঁও এখন্তেক ভেদাভেদ।
অশান্তি, দুৰ্য্যোগ, দুঃস্বপ্ন,
শঙ্কাৰ দেশ পৰিভ্ৰমি
এনেদৰে জিৰাওঁ আহা
বিহু বুলি নহয়।
জুইৰ খেল নেখেলি
নজ্বলাই কাৰোবাৰ ঘৰ
জ্বলাওঁ আহা একোটি
মাটিৰ চাকি
পদূলি পোহৰ কৰি
নামি আহক শান্তিৰ ঢল।
বহুদূৰ বাট কাটি
পাইছোহি এইখিনি
ৰাখিবাদেই ধৰি
শঙ্কা নাইকীয়া আমাৰ
এই বতৰতেই
লওঁ আহা শপত
এই সংস্কৃতিয়েই হ'ব
আমাৰ বান্ধ ...
বিহু বুলিয়েই নহয়।।

# মই আহিছিলোঁ

বিৰাজ জ্যোতি গোস্বামী

যোৱা ৰাতি তোমাৰ ঘৰলৈ আহিছিলোঁ
সংগোপনে
সন্তৰ্পণে
তোমালোক নিহালি তলত নিঃপালি
জগাই মাত দিবলে' বেয়া লাগিল
জাপিটোৰ ভাঁজে ভাঁজে এখিলা মৰম গুজি দি
কপৌৰ পাহিয়ে পাহিয়ে হাঁহি সানি দি
জেতুকাৰ বাটিটোত সকলোৰে অলক্ষিতে
কিছু প্ৰেম সানি দি আৰু
পিঠা ভাজিবলে' ৰখা গুড়িখিনিত
শান্তি আৰু শুভকামনা সানি আহিছোঁ।

# আলোক শিখা

মদন চন্দ্র ডেকা

ইতস্তত সিঁচৰিত
'ৰক্তমৃত্তিকা'ৰ কণিকা
উন্মুক্ত প্ৰাঙ্গন
বতাহত অৰ্ব্বুদ গুঞ্জন
কাৰ ৰাজসভা এয়া
মহীপাল শশাঙ্কৰ

মধ্যমণি এক আলোকশিখা
জ্ঞান অন্বেষণৰ
অনন্ত যাত্ৰাৰ পথিক
কৰ্ণসুবৰ্ণৰ উৰ্ব্বৰ অঙ্গন
তথাপি অতৃপ্ত

পূবৰ বেলি উদিত য'ত
লৈ ব'লা মোক
নয়ন ভৰি চাওঁ
সেই দেশ
অন্তৰ ভৰি শুনোঁ
প্ৰাগ্জ্যোতিষ চৰ্য্যা

## কাব্য ভাবনা

অনন্য প্ৰান্তৰত
যাপন কৰোঁ
জীৱনৰ বাকী থকা দিন
কুমাৰ ভাস্কৰ জালিত
অনিৰ্ব্বাপিত দীপৰ
জ্যোতিৰে আলোকিত শিখা হওঁ

কিন্তু মই যে অতৃপ্ত
জ্ঞানাৰ্জ্জন অসম্পূৰ্ণ মোৰ
যাত্ৰাৰ শেষ নাই
সুদূৰত কনৌজৰ আহ্বান
মই যাবই লাগিব
মই যে পৰিব্ৰাজক
আলোকোজ্জ্বল জ্যোতিশিখা
মই যে হিউয়েনচাং

(ৰক্তমৃত্তিকা- ৰজা শশাঙ্কৰ কৰ্ণসুবৰ্ণস্থিত ৰাজ হাউলি)

# তোমাৰ প্ৰেমত পৰিছোঁ ঃ

১৯৭৫-৭৭ কটনিয়ান  পি.ইউ.

জোনা মহন্ত

তিনিকুৰি বছৰ বয়সত
মই তোমাৰ প্ৰেমত পৰিছোঁ
লুকাবলগীয়া একো নাই,
মই স্পষ্টকৈ কওঁ
সঁচাকৈ মই তোমাৰ প্ৰেমত পৰিছোঁ।

প্ৰায় চাৰি দশকৰ পিছত
তোমাক লগ পাই একে লাগিল
মই আকৌ তোমাৰ প্ৰেমত পৰিছোঁ।

এই প্ৰেমত নাই কোনো
কামনা বাসনা
নাই কোনো স্বাৰ্থ,
আছে মাথোঁ আন্তৰিকতা
বন্ধুত্বৰ এনাজৰী।

ৰাতিপুৱাই তোমাৰ ‘মেছেজ’ৰ ধ্বনিয়ে
মনপ্ৰাণ কৰি তোলে সতেজ

## কাব্য ভাবনা

তোমাৰ মেছেজৰ সুন্দৰ কবিতা
ফটো, সুখবৰ বোৰে
কৰি তোলে আপোনপাহৰা।

লুকাবলগীয়া একো নাই
মই তোমাৰ প্ৰেমত পৰিছোঁ

য'লৈকে যাওঁ দুটি নয়নে
মাথোঁ বিচাৰে
পামনে তোমাক লগ,
পাম জানো চিনি ...
হয়তো পাইছিলোঁ লগ বহুবছৰ
অচিনাকিৰ দৰে, আঁতৰি গ'লা
নোযোৱা যেন তেনেকৈ আৰু
মই যে আজি
তোমাৰ প্ৰেমত মতলীয়া।

তুমি দিয়া প্ৰিয় গানবোৰৰ
লিংক বিচাৰি
You tube চলাথ কৰিছোঁ।
তোমাৰ প্ৰেমত পৰিছোঁ
দূৰে দূৰে থাকি
হৈ পৰিছোঁ তোমাৰ আপোনজন।

# এৰাসুঁতি

তপোধন দাস

প্ৰেম তেতিয়া অনামী নিজৰা
চালুকীয়া বুকুত ভটিয়নি সোঁত
চনকা দুপাৰে খহনীয়া
তলিত গভীৰ হোৱাৰ তৃষা
নৈ হ'ব খোজা দুৰাশা
এদিন ধুমুহাত বাৰিষাৰ ঢল

উজনিৰ কেঁচা জাজৰি
নামনিৰ অচিন পাৰত ঠেকা

সময়ত খৰালিয়ে থলেহি ভৰি
ধীৰ হ'ল সোঁতৰ গতি
এদিন স্থবিৰ হ'ল
নিজৰা লাহেকৈ শুকাই গ'ল

এতিয়া বুকুত বালিচাপৰি
নল খাগৰিত জোনাক আৰু ঢৌৰ বুৰঞ্জী
নদী হ'ব খোজা সপোনৰ আখৰা
প্ৰেম এতিয়া এৰাসুঁতি

# সময়

**পঙ্কজ কুমাৰ বৰুৱা**

সময় সঁচাই বৰ বলৱান
নিষ্ঠুৰ ! নে সহানুভূতিশীল !
হয়তো সময় তেনে হোৱাই ভাল।
সময় সকলোৰে বাবে সমান
মাথোঁ আমি পাহৰি যাওঁ
যেন আমি মৰণশীল নহয়।
কোনেও কিনিব নোৱাৰে সময়
আৰু বতৰ বা ঋতু
জীৱনত ফাগুন আৰু বসন্তৰ লগতে
খৰালি আৰু বাৰিষাও আছে।
সুখ দুখ হাঁহি আৰু বিষাদৰ ৰহঘৰা
এয়েতো জীৱন ...

# কবিতা

**ৰত্ন কান্ত শৰ্ম্মা**

সেইদিনা সঁচাকৈয়ে
বৰ বেয়া বতৰ
হঠাৎ আহিছিল
ধুমুহা শিল বৰষুণ
কপৌ শালিকাৰতো কথাই নাই
ভাঙি ছিঙি গৈছিল
টোকোৰাৰো বাহ
অপত্যৰ  অকাল মৃত্যুত
সিহঁত হৈছিল
নিঠৰ নিবোকা
সঁচাকৈয়ে বৰ দুখ লাগিছিল

আজি দুদিনমান পিছে
বতৰ বৰ বেয়া নহয়
কেতিয়াবা ৰিম্‌ঝিম্
কেতিয়াবা আক'
দবাপিটা বৰষুণ
কেতিয়াবা শুনি কি নুশুনি
বিহুৰ গান
গুণ্ গুণ্ গুণ্ গুণ্
বিজুলীৰ ব'হাগী নাচোন

## কাব্য ভাবনা

খোল খালে মনৰ দাপোন
মনত পৰিল তোমালৈ
তোমাক লগ পাইছিলোঁ তাহানিতে
আজিও বৰ ভাল পাওঁ
তুমি অহা হ'লে
কিমান যে ভাল লাগিলহেঁতেন

আহিবা আহিবা বুলিয়েইতো
বাট চালোঁ কত বসন্ত
কত না ফাগুন
তুমি আহিবা বুলি ফুল ফুলে
ৰজনীগন্ধা ইন্দ্ৰমালতী
ফুলে বকুল শেৱালি

পিছে হঠাৎ মন সলনি
মনৰ বতৰ বৰ বেয়া
যোৱাৰাতি 'ন হন্যতে' পঢ়াৰে পৰা
এতিয়া তুমি আৰু আহিব নালাগে
নেদেখিম হয়তো কজলা চকু
নাথাকিব সৰ্পিল ক'লা চুলি
নাথাকিব ৰঙা গোলাপী ৰঙৰ
টোল পৰা গাল
ভাঙি যাব জীৱনৰ
সোণালী সপোন
তুমি যে নহাই ভাল

বন্ধ কোঠাত অকলশৰে ভাবিছোঁ জীৱনৰ

## কাব্য ভাবনা

শত্রু মহাকাল
আমাৰো বয়স হ'ল
কেতিয়াবা দুখ কেতিয়াবা সুখ
কেতিয়াবা বৰ নিঃসঙ্গ
জীৱনৰ বিয়লি বেলাত
জীবনানন্দ দাসৰ
কবিতাই যেন চিৰসত্য ...

(সব পাখি ঘরে আসে- সব নদী- ফুরায় এ-জীবনের সব লেনদেন;
থাকে শুধু অন্ধকার মুখোমুখি বসিবার বনলতা সেন)



# ভালপোৱাৰ অনুভূতি

জোনা মহন্ত

তুমি আহিলে বৰ ভাল পাওঁ মই,
বৰদৈচিলাজনীয়ে দিয়ে
তুমি অহাৰ আগজাননী
তুমি যে লৈ আহা মোলৈ
কোমল কুঁহিপাতৰ সেউজীয়া ৰং
ভালপাওঁ মই, আমৰ ফুলৰ
মলমলাই থকা গোন্ধ
প্ৰথম বৰষুণজাকে ধূলিৰ
লগত মিলি বিয়পায়
ধৰাত সুন্দৰ সুবাস
কুলি কেতেকীৰ মাতত
মন হৈ পৰে অস্থিৰ।
কপৌ ফুলবোৰ দেখি
তোমালৈ থাকোঁ বাট চাই
কেতিয়ানো আহি তুমি
দিবা মোৰ হিয়া উপচাই...

# তোক ভাল পাওঁ বুলি

মদন চন্দ্ৰ ডেকা

তোক ভাল পাওঁ দেখি
ফাগুনৰ অভিমান
মানভঞ্জনৰ অসফল অভিসাৰ

তোক ভাল পাওঁ বুলি
নাহৰৰ মিচিকি হাঁহি
পলাশৰ মেলানি মগাৰ দশা

তোক ভালপাওঁ দেখি
আকাশত মাদলৰ ছেও
পছোৱাৰ বাউলি বিলাপ

তোক ভালপাওঁ বাবে
কুঁহিপাতৰ এটি দুটি খোজ
তগৰৰ লয়লাস সাজোন-কাচোন

তোক ভালপাওঁ দেখি
কোমল ঘাঁহে ঢাকি ধৰে
শুকান পথাৰৰ চিৰিলি ফাট

## কাব্য ভাবনা

তোক ভালপাওঁ বাবেই
মাকৰ ঘৰলৈ আহে
বৰদৈচিলাজনী

কেৱল তোকেই
হে দুৰন্ত ব'হাগ
তোকেই কেৱল ভাল পালোঁ।



# ভাল নাপালেও

কস্তুৰী নিভা গগৈ

ভাল নাপালেও বেয়া দিন আহে
ভাল নাপালেও বেয়া খবৰ আহে
ভাল নাপালেও জীৱনে ৰং হেৰুৱাই কান্দে
ভাল নাপালেও বন্যাই ঢাঁহি- মুহি নিয়ে
ভাল নাপালেও সুখৰ দৰেই দুখো আহে
এয়েতো মহাজীৱন
এয়েতো প্ৰকৃতিৰ চং
যাক কৰিব নোৱাৰো বাৰণ

# তোক ভালপোৱাৰ দৰে

অমল শইকীয়া

তোক সাজি কাচি অহা দেখি
মোৰ বুকুৰ মৰুভূমি
মৰুদ্যান হয়
লঠঙা বৃক্ষৰ কুঁহিপাতে মিচিকি হাঁহে
চৰাইৰ বাহত ওলমি পৰে মৌ মিঠা কাকলি।

তোক ভালপোৱাৰ দৰে
সঁচাকৈ ভাল পাব পাৰি বিশাল আকাশক
জীৱনৰ মেপখন সযতনে আঁকিব পাৰি তাৰ
বিশালতাত
আঁকিব পাৰি জীৱনৰ খলাবমা গতি
নদীৰ নপৰে যতি।
তোক লগ সদায়েই পাওঁ
লগ পালেই ৰামধেনুৰ ৰঙেৰে
হিয়া ওপচাওঁ
মাজৰাতি বজাওঁ সুখৰ বাঁহী।

তই অন্য কোনো নহয়
তই মোৰ মৰমৰ মৌ মিঠা হাঁহি।

# প্ৰাসঙ্গিক চিন্তা

শৰৎ বৰকাকতি

কি যে বাৰেবৰণীয়া
সংস্কৃতি
লুইতৰ ৰূপহী পাৰত
কত নৈ, উপনৈ
লয় সাৱটি
লুইতেই বুকুৰ মাজত
নীলা পাহাৰ আৰু
সেউজ ভৈয়ামৰ
কি যে অনুপম বেশ
ঢোল, মাদল, চিফুং, পেঁপাই
ৰজনজনোৱা দেশ
ঘোষা, নামৰ সুৰে সুৰে
জিকিৰ মিলি যোৱা দেশ।

এই নৈ তেজে তেজে আছে বৈ
যায় বৈ সমন্বয়ৰ ভাষা কৈ

নানা জাতি, ধৰ্ম্ম সামৰি
গঢ়িল অসমীয়া জাতি
ঐক্যৰ এনাজৰী ছিঙে যদি
ভয়াবহ হ'ব পৰিণতি

কাব্য ভাবনা

জাতিলৈ অৱদান কথাৰে নাহে
লাগে কৰ্ম্মমুখী পৰিৱেশ
আপোন প্ৰতিভাৰে উজলিলেহে
স্বজাতিৰ হ'ব উন্মেষ হ'ব উন্মেষ
সুজলা সুফলা হ'ব দেশ।
সোঁৱৰো সোণোৱালী
ৰ'দ জিলিমিলি
গৌৰৱৰ ঐতিহ্য
ভাষাৰ মুক্তি যুজঁত নামিছিল
এদল সমৰ্পিত সৈন্য
শিক্ষাৰ শক্তি যুক্তিদীপ্ত হৈ
আনিছিল সোণালী সময়
সেই আদৰ্শ হওক যুঁজৰ প্ৰেৰণা
আবেগৰ বেলুন নহয়।

# বতৰ

ফাইজুৰ ৰহমান

ভাবিছিলোঁ আহিব বসন্তৰ বতৰ
ফুলনিত ফুলিব গোলাপ তগৰ
হৃদয়ত জাগিব বিহুৰ বতৰ
ঢুলীয়াই মাৰিব ঢোলত চাপৰ
কোনোবা গাভৰুৰ খোপা সুলকিব
খামুচীয়া ককালত ভূইকঁপ উঠিব
কিন্তু গচকত নাভাগে যঁতৰ।
কাৰণ
এতিয়া চলিছে নিৰ্ব্বাচনী বতৰ
নেতাই ভাগিছে ভোটাৰৰ জগৰ।
গাঁৱে ভূঁইয়ে গাড়ী মটৰ
উখল মাখল চহৰ নগৰ
ডেকা গাভৰুৰ বুকুৰ লহৰ
দেহতো নালাগে অকণো ভাগৰ
চেনাইধনক বিচাৰি নহয়
কাৰণ
এতিয়া চলিছে নিৰ্ব্বাচনী বতৰ ...

# নদী

মদন চন্দ্ৰ ডেকা

সকলো নদীৰ দৰে
নদীৰ জন্ম হয় বুকুৰ গভীৰত
বৈ যায় ডকা চাকনৈয়া হৈ

বুকুৰ মাজত স্তূপীকৃত
হৰিষ বিষাদ অভিমান
নদীয়েইতো বহন কৰে

নদীৰ ঢলে সাৰুৱা কৰে
মনৰ বহল পথাৰখন
নদীৰ যে বিলাই দিয়াই কাম

নদীয়ে ধুই নিয়ে মনৰ মলিনতা
যেনেদৰে বছৰৰ প্ৰথম বৰষুণে
ধুই নিয়ে ব'হাগৰ ধূলি

নদীৰ বুকুত জন্ম লয়
শিলাময় ভূখণ্ড
বন্ধ হয় সাৱলীল গতি

নদীৰ মৃত্যু হয় গজি উঠে মৰুভূমি
পুনৰ এক নদীৰ জন্মৰ বাবে
আমি অপেক্ষা কৰি ৰওঁ।

# প্ৰেম

কঙ্কন শৰ্ম্মা

তুমি কৈছিলা
সৰু চহৰখন এৰি বাওঁফালে বুকুৰ ওপৰেদি যোৱা
কেঁকুৰিটোত ৰৈ থাকিবা ...
প্ৰতিদিনে গৈয়ো
বিচাৰি নাপালোঁ
দেখো আকাশ, নৈসৰ্গ, পথাৰ
চহৰখন এৰি এটিও পথ নাই
বিষণ্ণ নহৈ প্ৰতিদিনে মই বিচাৰি চাঁও
এখনৰ পিছত এখন চহৰ
তুমি যে নকলা
সৰু চহৰখনৰ নাম !

# আবিৰৰে মেলা

**শৰৎ বৰকাকতি**

অ' আজি আবিৰৰে মেলা
জীয়া জীয়া যৌৱনৰে খেলা
আজি আবিৰৰে মেলা
মদাৰ, শিমলু
পলাশৰ ফুলে যেন
কৰিলে মন মতলীয়া
সেই ৰং সিঁচি সিঁচি
ধৰণী কৰিছে বৰণীয়া

এই ফুলো এই ফুলো
এজাৰ, কৃষ্ণচূড়া
হালধীয়া সোণাৰু
ৰূপহী ৰাধাচূড়া
ফাগুনত উদং হোৱা
গছবোৰ হ'ব পুনু
কুঁহিপাতে সেউজীয়া
ৰঙৰ উছৱ পাতি
বসন্তৰ আদৰণি
কি যে মধুৰ মোহনীয়া।

## কাব্য ভাবনা

গালে মুখে ফাকুৰ ৰং
ৰঙা নীলা সেউজীয়া
মনতো যে ৰঙৰ বোল
বেঙুনীয়া হালধীয়া
পানীত ঘুলি ৰং ঢালে
গোলাপী কমলা
জনে জনে উলাহেৰে
পাতিছে ফাকুৱা
ৰং সানি যাঁচি দিয়ে
মৰম চেনেহ ভালপোৱা।

(বিশ্ব কবিতা দিৱস উপলক্ষ্যে)



# সময়ৰ জুই

**অমল শইকীয়া**

সময়ে তেজৰ নৈ বোৱাইছে
তেজৰ নদীত নাও চলিছে
নাৱৰীয়াৰ তেল ফাটিছে

সময়ৰ বতাহজাকৰ
পঁয়ালগা বিষাদৰ সুৰত ঘৰবোৰৰ ভেটি লৰিছে
বাৰীবোৰ কঁপিছে
বতাহৰ আগত কাউৰীয়ে কলকলাই কিবা যেন
সঙ্কেত দিছে

আমিবোৰ জুই হৈ পৰিছোঁ ক্ৰমে ক্ৰমে
দপদপাই জ্বলিছো
ঘিঁউ ঢলা জুই
জ্বলন্ত অঙঠা হৈ খহিছোঁ
দগমগাই তুলিছোঁ সকলোৰে বুজাকৈ আমি আমাক
সজাইছোঁ
আমাৰ চৌদিশ
পোহৰ আৰু পোহৰ।

খণ্ডত সূৰ্য্য জ্বলিছে
খণ্ডত পছোৱা বলিছে

খঙত সাগৰ শুকাইছে
আমিও জ্বলিছোঁ আমি হৈ
দপদপকৈ
অনিৰ্ব্বাপিত অগ্নি হৈ
আমাৰ জুইৰে তেজৰ নৈ শুকুৱাই
নিৰ্ম্মল পানীৰ নৈ বোৱাম
তেজৰ নৈত নাও চলোৱা
নাৱৰীয়াক জ্বলাই জ্বলাই
ছাই কৰি দিম
আমি অগ্নি হৈ জ্বলিম
আমি সূৰ্য্য হৈ জ্বলিম
জ্বলিম মাথোঁ জ্বলিম।।

# পানী

**মদন চন্দ্ৰ ডেকা**

পানী ক'ত
পানী নাই
পানী কতো নাই
পানী ক'ত
পানীপিয়াৰ চকুত পানী
চাতকৰ বুকুত পানী
পানী  কতো নাই
আকাশত বানপানী
মৰুভূমিত বানপানী
পানী নাই
পানী কতো নাই

মেঘৰ ছাঁ নাই
শুকান তৃণভূমি
কাঁইটীয়া জোপোহাই
ছানি ধৰিছে দেশ
ছানি ধৰিছে সময়
জলাধাৰ ক'ত
জলাধাৰ?
শুকান বালি তিয়াঁও কিহেৰে?

## কাব্য ভাবনা

সঞ্চিত বৰষুণৰ পানীৰে
বৰষুণৰ সঞ্চিত পানী
বৰষুণৰ পানী
পানী।

(বিশ্ব জলদিৱস উপলক্ষ্যে)



# উত্তপ্ত দিগন্ত

**ৰত্ন কান্ত শৰ্ম্মা**

নিষ্প্ৰভ পূৰ্ণিমাৰ ৰাতি
নিঃকিন জোনাক
এটি দুটিকৈ খহি পৰিল অলেখ তৰা
তেজৰ নদীত
ক্ৰোধিত মন
তেজে তুমৰলি জোন।
ৰাজপথত মৃতদেহৰ শোভাযাত্ৰা
আকাশে বৰষিলে
তেজৰ চকুলো
ফুলবোৰ মূৰ্চ্ছা গ'ল
তেজৰ গোন্ধত
তেজৰ চেকুৰা লাগি
ৰঞ্জিত হ'ল
আভূষণ আৰু অংগৰাগ
কাৰোবাৰ প্ৰেয়সী
অথবা কাৰোবাৰ পত্নীৰ
হাতৰ ভগা কঙ্কনৰ শব্দত
বতাহেও গৰজি উঠিল
যোৱা ৰাতি মাৰ টোপনি নাহিল
কোনেনো জানিছিল
তেজে ধোৱা বাটেৰে
আহিব বসন্ত
আহিব আহত হৈ
ঊনৈশৰ উতলা ফাগুন
উত্তপ্ত দিগন্ত।

# আজি

**অগস্ত্য বৰুৱা**

(১)
নিজম নদীৰ তীৰত এতিয়া মায়াময় আবেলি
সুবাসিত বতাহত মৰম মৰম নিৰিবিলি।

(২)
সুস্বাদু প্ৰসাদে লৈ আহে সৰগৰ বতৰা
এদিনলৈ পাহৰে দুখৰ কথা-বতৰা
সকলোতে যে হাঁহিৰ ফোৱাৰা।।

# ফাগুনে তেজৰ ফাঁকু ছটিয়ায়

**শৰৎ বৰকাকতি**

এইবাৰ ফাগুন আহিল
তেজৰ ফাকু ছটিয়ায়
শিমলু, পলাশৰ
জীয়া জীয়া ৰং
ঢাকি ধৰে পুলৱামাৰ
বাৰুদৰ ক'লা ধোঁৱাই
ধূলিৰ বতাহত উৰি ফুৰে
পোৰা দেহৰ মঙহৰ গোন্ধ
বুকুৱে বুকুৱে জমে
দুখ, ঘৃণা আৰু আক্ৰোশৰ ছাই।

দুকুৰি অধিক যৌৱনে
অকালতে মেলানি মাগিলে
কপালৰ ৰঙা ৰঙা বেলি
চিৰদিনলে' লহিয়ালে
আহিব আহিব বুলি
বছৰ বাট চোৱা
এজাক শিশুৰ মনে
মানিব নোখোজে
সিহঁতৰ দেউতা আৰু নাই
ত্ৰিৰঙ্গ পতাকাৰে ঢাকি
সিদিনা চিতাত দিছিলে শুৱাই।

## কাব্য ভাবনা

কেনেকৈ এইদৰে অকাৰণে
মানুহে মানুহক হত্যা কৰাৰ
কাৰণ বিচাৰি পায়
ইমান হতাশা কিয় আহে
জীৱন ফাগুনৰ ৰং
বসন্তৰ হেঁপাহ হেৰায়
সমাজৰ কাঠামো
ইমান থুনুকা
কূটনীতি পথাৰৰ
বিষাক্ত বায়ুত
জীৱনে উশাহ নেপায়
সন্ত্রাসৰ বিষ ঢালি
মানৱেই মানৱক দানৱ সজায়।



# প্ৰেম

মদন চন্দ্ৰ ডেকা

প্ৰেমৰ কথা ওলালেই যেতিয়া
কাণে কাণে কওঁ শুনা
প্ৰেম মানে স্বাৰ্থহীনতা
প্ৰেম এক সুবিমল তটিনী
প্ৰেম নিৰ্ম্মল আকাশৰ জোন
প্ৰাপ্তিৰ গণ্ডীত
প্ৰেমক বন্দী নকৰিবা

# এদিন আহিবা

কঙ্কন শৰ্ম্মা

এদিন আহিবাচোন
কথা হ'ম
বহু কথা ...
মন উজাৰি কথাবোৰ পাতিম
বিহলঙনিৰ মাজত হেৰাই যোৱা
শৈশৱ
সেকি খোৱা কেঁচামাহৰ সন্ধিয়া ...
ৰঙা কেৰাচিনৰ চাকিৰ পোহৰত
কলপাতত লিখা হাতৰ আখৰ
জোনাকী পৰুৱাই চোতালতে আকাশ পতা
ৰাতি
চোচনিৰে সজা ভালুকৰ
মহো হো ...
আয়ে সী দিয়া মোনাৰ
মাহ কৰাইৰ অৱশেষ
মৰমৰ মাৰ্ব্বল গুটিবোৰ
খাৰৈত বৰশীৰে তোলা
চেং মাছৰ হালিচা
শালিধানৰ লেছেৰি বোটলা
আৰু কত কি
এদিন আহিবা

## কাব্য ভাবনা

লগত নানিবা কলম কাগজ
অথবা কেমেৰা ...
পাৰিলে বিচাৰি আনিবা
মোৰ একোণভগা চিলঠখন
বহোঁতে চিলচিলীয়া হোৱা
ঢাৰিখন
পাৰিলে কেইডোখৰমান
খৰিমাটি...
জোনাকতে বহিম...
আকৌ এবাৰ লিখিম
অ-আ-ক-খ
এদিন আহিবা।



# ভোগালীৰ দিনা

জয়ন্ত বৰদলৈ

ভোগালীৰ দিনা
মনত পৰে
মোৰ আইলৈ
কিমান যে ভাৰাক্ৰান্ত
তেওঁৰ দেহ।
কিমান যে
ঘটনা পৰিঘটনাৰ
সাক্ষী তেওঁ
অনাদি অনন্ত কালৰ
লৈ আছে হাজাৰ জনৰ
শোকৰ বৰফ আৰু
নিশ্বাসৰ জুইবোৰ।
কোনে গলাব
তোমাৰ বৰফ
নুমাব জুইবোৰ?
তথাপিও তুমি
নীৰৱে নিমাতে
সহি আছা
নিজকে বিলাই
সুগন্ধী ধূপ হৈ
আমাৰ মুখলৈ চাই
বৰফ আৰু জুইৰ
এই মহা সন্ধিক্ষণত

# নিয়ৰত হেৰোৱা কৈশোৰ

**তপোধন দাস**

কুঁৰলি ধূসৰ ধলপুৱা
পৰিছেনে উৰি আহি বনৰীয়া হাঁহজাক
অদূৰৰ নিৰল বিলত
চৰেনে পানীযুঁৰলিত মেটেকাৰ আঁৰ লৈ
বগলী আৰু কণামুচৰি কেইটা
সিহঁত নোহোৱা উকা পুৱাবোৰে
সিহঁতৰ গাত মৰা বাটলু হৈ
বৰকৈ খুন্দিয়ায় হিয়াত

কলীয়া তাঁৰৰ বাৰীত পৰিছেনে পুহৰ ঠেঁটুৰৈ
জোপোহাৰ ডালবোৰ মনে মনে কাটি
গোটাইছানে মাঘৰ মেজিৰ খৰি
আনিলানে বুটলি দাৰুনীয়ে এৰি যোৱা লেছেৰি
ক'ত খাবা এইবাৰ ৰ'দালিত বহি
জেঠায়ে ৰন্ধা বালিভাত।

# প্ৰেম

**ৰত্ন কান্ত শৰ্ম্মা**

তিনিকুৰি বয়সে গৰকা
শিমলু জোপাই
কৰিছে আকাশ ৰাঙলী
লাজৰ ওৰণি দাঙি
ফুলবোৰে মেলিলে পাহি
জৰাগ্ৰস্ত হ'লেনো কি হ'ল
আকৌ বাজি উঠিল
প্ৰেমৰ বাঁহী
প্ৰণয়ৰ পছোৱাই
দিলেহি চুমা
মন উতনুৱা
ফাগুন আহিছে ধৰালৈ নামি

# হেৰোৱা খোজ বিচাৰি

**শৰৎ বৰকাকতি**

বালিত বিচাৰি ফুৰোঁ
তাহানিতে এৰি যোৱা খোজ
শামুকৰ খোলাৰ মাজে মাজে
বিচাৰো হেৰোৱা সময়ৰ কেঁচা সোণ

ইয়াত সিদিনা দোকানৰ দালান নাছিল
পথ উৰুঙা, দাঁতিত ইমান ঘৰ নাছিল
তথাপি আজিওচোন আপোন আপোন
চহৰৰ বুকুতো শুনো হৃদয়ৰ গুণ গুণ

আজিও আছে ত্ৰিকোণা পুখুৰীটোত ভেঁটফুল ফুলি
জকমকাই আছে নিজে সজা পঢ়াশালি
অহাৰ বাটত দেখোঁ নপমা অতীতৰ সাজোন কাচোন
সন্ধিয়াৰ ‘চেঁচা’ নৈৰ কজলা পানীত বুৰ মৰা কাঁচিজোন

বালিত বিচাৰি ফুৰোঁ
তাহানিতে এৰি অহা খোজ।

# অপেক্ষা

**মদন চন্দ্ৰ ডেকা**

আলিকেঁকুৰিত ৰৈ আছোঁ
দূৰণিৰ শালবনৰ সৈতে
অপৰাহ্নৰ বেলিৰ লুকাভাকু
আহিম বুলিতো কৈছিল তেওঁ
এই আবেলি বেলা।

# অপেক্ষা

**কঙ্কন শৰ্ম্মা**

ময়ো ৰৈ আছোঁ ঠিক কেঁকুৰিটোৰ সিটো মূৰে ...
শালবনৰ বাবে একো নেদেখি।
বেলিটো আজি সোনকালে ডুব গ'ল ...
আন্ধাৰত একো মণিব নোৱাৰি।

# অপেক্ষা

(মূল ঃ মদন চন্দ্র ডেকা, কঙ্কন শৰ্ম্মা)

**মীনাক্ষি ৰায় ডাকুৱা**

ঘাটাৰ ভাঞ্জত ৰয়া আছোং
দূৰেৰ শালবাৰীৰ সাথে
বৈকালেৰ বেলাৰ নুকানুকি
আসিম বুলিয়াতো কইছিলেক
এই বৈকাল বেলা।
মুঁইও ৰয়া আছোং ঠিক ভাঞ্জেৰ ঐ মাথাত
শালবাৰীৰ জইনে কিছু নাদেখি।
বেলাটা আইজ টপ কৰি ডুব গেইল
আন্ধাৰত কিছুই বুজিৰ নাপাই।

# মোৰ স্বপ্নৰে ...

ৰুমিমা দাস

মোৰ স্বপ্নৰে স্বপ্নালু মন
তুমিয়েই দিলা
ৰঙে ৰঙে ছবি আকোঁতেই
ৰং ছবি কাঢ়ি নিলা
কি বাৰু নক'লা
মোৰ স্বপ্নৰে
স্মৃতিৰ পৰশে
অশ্ৰুৰ বান আনে
বিয়াকুল কৰি তোলে প্ৰাণ
স্মৃতিৰ পটত আজি
সেই সুৰ বজা নাই
আছে যত বিষাদৰ গান

# অভাৱ

অমল শইকীয়া

সময়ে সকলোকে দৰিদ্ৰ কৰে
দৰিদ্ৰতাৰ পোছাক পিন্ধাই
হাত তালি দিয়ে।

কোনে উপহাস কৰে?
দৰিদ্ৰই উপহাস সহে
অভাৱত আকাশ খহে
জাৰে জহে খহে বুকু
এহাত এমুঠন মাটিৰ পৰশত
দৰিদ্ৰৰ গাৰ ঘাম সৰে
যন্ত্ৰণাত লৰে চকু।

সকলো অভাৱী আজিৰ পৃথিৱীত
চুকে কোণে সাঁচে পঁয়া লগা দুখ
লৌহ মানৱ হৈ গতি কৰে
উলঙ্গ লক্ষ্যলৈ
অভাৱী হিয়াখন
বৰপেৰাত সুমুৱাই থৈ।

# বতৰ

কঙ্কন শৰ্ম্মা

বৰষুণজাকে পৰা নাই
ধুই নিব
বতাহখিনি বৰ গধুৰ !
ছলাহী কথাবোৰ শুহি শুহি
বৰ গধুৰ হ'ল বতাহ !
মিছাতে প্ৰদূষণক দোষাৰোপ
বিজুলীয়ে পৰা নাই
প্ৰবঞ্চনাৰ বুকু ভেদিব
আকাশখন সমূলি ঢাক খাই গ'ল...
তোমালোকে বাপুৰ শয়নপীঠত মূৰ নথ'বা
দুখ পাব তেওঁ
তোমালোকে যিমান পাৰা
নিজৰ কৰি লোৱা
কিঞ্চিতেৰেই আমাৰ হ'ব
অলপমান আকাশখন
মুকলি হ'ব দিয়া
নীলাখিনি চাওঁ !

# পানী

তপোধন দাস

আকাশত বানপানী
শিল হৈ ওপঙে
ধুমুহাত গতি কৰে
পাহাৰত অৰশেষ সংঘাত
বৃষ্টিপাত
শিলাবৃষ্টি
ভৈয়ামত বান ফলশ্ৰুতি
উটে মানুহ জন্তু সম্পদ
ভাহে আশা সপোন ভৱিষ্যৎ
অসংৰক্ষণশীল আকাশ পাহাৰ নদী
ব্যতিক্ৰম সাগৰ
পৃষ্ঠাংশত ঊৰ্দ্ধমুখী বাষ্প
আকাশত প্ৰত্যাৱৰ্তিত বান
ধুমুহাত পুনৰ শিলাময় গতি
পাহাৰমুখী যাত্ৰা
সংঘাত
ভৈয়ামত উটা বুৰা ভহাৰ কছৰৎ
চাতকৰ বুকুত পানী
ধ্বংস মৃত্যুৰ সংৰক্ষিত পৰিসংখ্যা
'ৰিলিফ'ৰ মহোৎসৱ
ঘৰিয়ালৰ চকুত পানী

# আগলি ব'হাগৰ বিৰহ

**শৰৎ বৰকাকতি**

কুঁহিপাত ওলালে
কপৌফুল ফুলিলে
দূৰণিৰ ক'ৰবাত
কুলিয়ে মাতিলে
পেঁপাটি বাজিলে ঐ জান
হিয়া মোৰ ৰঙে ৰঙায়
আবেগতে মন মোৰ হয় ৰাঁই জাঁই ...

যোৱাবেলি ব'হাগত
কপিলী ঘাটত
অকলে উচুপিছিলোঁ
তোলৈ বাট চাই চাই
কপৌফুল আনিছিলি
অভিমান ভাঙিছিলি
পিৰিতিৰ ভৰাসুঁতি
দিছিলি বোৱাই
বিৰহ এতিয়া (যেন) আহিছে উজাই...

উতনুৱা ব'হাগত
উগুল থুগুল মন

## কাব্য ভাবনা

প্ৰতি পল কাষতে (তোক)
পাবলৈ মন যায়
নিজানত বাৰে বাৰে
স্মৃতিয়ে আৱৰে
কুলিৰ বিননিতো
চকুলো বৈ যায়
উচাটন মন আকৌ তোকে লগ পায় ...



# সৰস্বতী

অগস্ত্য বৰুৱা

বাগেদৰী বুলিলেই
কলিজাৰ মাজৰ পৰা
উকমুকাই উঠি আহে
একোটা উজাগৰী নিশা

গেটখন সজাবলৈ হাতত ৰং-ব্ৰাছ
কোনে কিমান দিব পাৰে চিম্বলিক টাচ্ছ

গেটৰ মুখত ৰৈ
পাল পাতি শুনি যাঁও
বিভিন্ন মন্তব্য

কাৰোবাৰ খোকোজাত
বুজাবলৈ উদগ্ৰীৱ
যদি হয় তেওঁ কটন-সন্দিকৈৰ
কোনোবা অৰুন্ধতী-নীহাৰিকা

চকু ছাত মৰা সৌন্দৰ্য্যত
দীঘলীপুখুৰীৰ পাৰ আমোলমোল

## কাব্য ভাবনা

ইফালে সিফালে চাই
হৃদয় ক'ত থওঁ ক'ত থওঁ

শাৰী পাতি
পাতি থৈছে দৃষ্টিৰ কাৰ্ফাই

সপোনবোৰ এদিনলৈ
লয়লাসে পদূলিমুখত

গেটৰ গইনাৰে
চকুলৈ চাই পাৰ কৰোঁ এটা দিন

বাগেদ্বৰীৰ নামত
নিজা পৃথিৱী আমোলমোল।।

(বহুবছৰ আগতে এৰি অহা কটন কলেজৰ হোষ্টেলবোৰত সৰস্বতী পূজাৰ গেটৰ প্ৰতিযোগিতা হৈছিল, য'ত বাসিন্দাসকলে নিজৰ হোষ্টেলৰ গেটখন সুন্দৰকৈ সজাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল।

আজিৰ দিনটোত নিজকে ছাত্ৰ বুলি ভাবিবলৈ মন যায় দেখোন)

# তোমাৰ বাবে

জোনা মহন্ত

জোনাকৰ ৰূপালী পোহৰ
পাবা জানো দীপাৱলীৰ নিশা,
এমুঠি জোনাক বিচাৰি
কিয় কৰা হাহাকাৰ, অমাৱস্যাত।

জোনাকক নোপোৱা মানেই জানো
দুখ হয়

গানৰ মাজেৰেই
কৰা প্ৰকাশ তুমি দুখৰ
ফটফটীয়া পানীৰ দৰেই
স্পষ্ট তোমাৰ নোপোৱাৰ বেদনা

গান, তোমাৰ দুখৰ সন্তান,
আক্ষেপৰ সৃষ্টি,
হৃদয়ৰ গভীৰ গৰ্ভৰ পৰা
সুৰ হৈ আহে নিগৰি ...
সমস্ত দুখ, প্ৰেম

গাঁথি যোৱা মালা
জীৱনৰ,
পোৱা নোপোৱাৰ মাজেৰে।
অনুভৱ মাথোঁ কৰা তুমি
বিচৰাখিনি দেখোন আছে
তাৰেই মাজত...



# অনুভূতি

পঙ্কজ কুমাৰ বৰুৱা

কি সুন্দৰ সুন্দৰ
ভিন্ন ৰঙৰ,
বিভিন্ন ৰসৰ,
অনুভূতি প্ৰেমৰ ! বাহ্ !
প্ৰেমক লৈ আক্ষেপ কিয়,
জ্বলন কিয় !
প্ৰেম কেতিয়াবা
অভিমানী হয় !
প্ৰেমত অভিমান স্বতঃস্ফূৰ্ত্ত
এই জনমত হয়তো
গোপন ব্যথা
পৰজনমত হ'ব
মধুৰ গাঁথা
পোৱা নোপোৱা
মাথোঁ মনৰ কথা,
অনুভূতিয়ে পূৰাব
মনৰ কামনা।
ভালপোৱাই জীৱন
জীয়াই ৰাখে,
জীয়াই ৰাখিব,
এই জনমত
বা পৰজনমত।

# শৰৎ

মদন চন্দ্ৰ ডেকা

দোকমোকালিতে মোৰ খিড়িকীত
টুক্ টুক্ কোনোবাই টুকুৰিয়াইহি
অৰ্গল খুলি দি সোধোঁ
কোন সেইয়া
এমোকোৰা হাঁহিৰে
সোমাই আহে আহিন
আলফুলে সাৱটি ধৰে মোক

অকলে আহিছা?

আহাঁচোন পদূলিলৈ
আহিনৰ আঙুলিত ধৰি
পদূলিত ভৰি থলোঁ
আঃ বুকুৰ ভিতৰত কিহৰ সুঘ্ৰাণ
মোক তোলা মোক তোলা
তলসৰা শেৱালিৰ আৱেদন
কৰণি ভৰাই তুলিলোঁ
জিলমিল জিলিকিছে কি
পুৱাৰ ৰ'দ পাই
দূবৰি বনত সেয়া
আহিনৰ সখী নিয়ৰকণা
নিৰ্মেঘ আকাশে ক'লে
শুকুলা ডাৱৰ আৰু
কঁহুৱাৰ লুকাভাকু
এয়াই শৰৎ

# শৰৎ

**মূল ঃ  মদন চন্দ্র ডেকা**
**ৰাজবংশী বুলি বদল ঃ**
**মীনাক্ষি ৰায় ডাকুৱা**

ভোৰ সকালে মোৰ খিৰকিত
কাঞ ঠকঠকায় আসি
আৰ্গল খুলি দিয়া পোছোং

কাঞ বা তায়

একমুখ হাসি নিয়া
সোন্দেয়া আইসে আশ্বিন
আলগোস্তে সাবটে ধৰে মোক

একলায় আসছিস?

আয়তো ফুলকিৰ ভিতি
আশ্বিনেৰ নগুলত ধৰিয়া
ফুলকিত পাও ৰাইখলুং

আঃ বুকেৰ ভিতৰা কিসেৰ মলমলা বাসনা

মোক তোল মোক তোল
তলঝৰা শেফালিৰ আটুশ
সাজি ভৰেয়া তুললুং

## কাব্য ভাবনা

ঝিলমিল ঝিলমিল ঝলকে কি

সকালেৰ ৰইদ পায়া
দুবা ঘাসত ঐনা
আশ্বিনেৰ সখী শীতেৰ টোপা

মেঘ নাথাকা ফটফটা দেওয়ায় কইল

ধপধপা মেঘ আৰ
কাশিয়াৰ নুকানুকি
ইঞ্ঝায় শৰৎ



# Greetings Card

**কঙ্কন শৰ্ম্মা**

আজিকালি শুভেচ্ছাবোৰ
এটি ৰিং টোনৰ পিছত আহে
আজিকালি শুভেচ্ছাবোৰ
পিয়নে নিদিয়ে
টোপনি বিঘিনি ঘটাই
শুভেচ্ছা নাহে
জিৰণিপৰত শুভেচ্ছাবোৰ
চোৱা যায়
তোমালোক আটাইকে
ভালপাওঁ মই
সময়ত মনত পৰে
হৃদয়ৰ ক'ৰবাত
এধানিমান ঠাই
হয়তো সযতনে আছে।
এতিয়া শুভেচ্ছাবোৰ
মনত ৰাখি থ'ব নোৱাৰি
যেনেকৈ সোঁৱৰণিয়ে
আমনি কৰে
ট্ৰাঙ্কৰ তলিত পৰি থকা
তাহানিৰ
Greetings Card বোৰে।

# গীত ঃ নতুন বছৰ

জয়ন্ত বৰদলৈ

নতুন বছৰ
পুৰণি বছৰ
মাজত মাথোঁ
৩১ ডিচেম্বৰ
এবাৰ আহে
নাহে দুনাই।।

নতুন আশা
নতুন প্ৰতিশ্ৰুতি লৈ
আৰম্ভ কৰোঁ
নতুন বছৰ
পাহৰি যাওঁ
পুৰণি বছৰ
নতুন আশাবোৰ
কলিতে মৰহি যায়
স্বপ্নভঙ্গ হয় জীৱনৰ।

# জীৱনৰ অৰ্থ বিচাৰি...

(এটি গীত)

**শৰৎ বৰকাকতি**

জীৱন যদি স্ৰোতস্বিনী নদী
মই তাৰ অনামী তৰঙ্গ
অনন্ত আকাশ যদি জীৱনৰ নাম
যাযাবৰী মই এক মুক্ত বিহঙ্গ
বিচাৰি ফুৰিছোঁ জীৱনৰ অৰ্থ...

গতানুগতিকতাৰ
আঁৰে আঁৰে বাজি থাকে
সৃষ্টিৰ অবিৰত ছন্দ
জীৱনৰ  ফুলনিৰ
মৌ চুহি ফুৰা মই
অতৃপ্ত পতঙ্গ
বিচাৰি ফুৰিছোঁ জীৱনৰ অৰ্থ ...

হৃদয়ে হৃদয়ে আছে
জীৱনৰ অনুভৱ
গোপন অব্যক্ত
বুটলিব খুজি সেই
সোণালী মুহূৰ্ত্ত
বিচাৰি ফুৰিছোঁ
বন্ধুৰ নিৰিবিলি সঙ্গ
বিচাৰি ফুৰিছোঁ জীৱনৰ অৰ্থ....

# এনেকৈয়ে দিন

**মদন চন্দ্ৰ ডেকা**

বেলতলা বজাৰত পাতিহাঁহ
পকা কোমোৰাৰ গোট
লিংডো ভনীটিৰ হোৰাত
ঢেঁকীয়া কলডিলৰ বণিজ

আকাশত কলীয়া ডাৱৰ
নে ৰাজনীতিৰ ক'লা পতাকা
সঁচলৈ বুলি একেটাই কামিজ
তাকে খুলি উলঙ্গ আজি

ৰাজপথে ৰিঙিয়ায়
পোহাৰী বাইৰ মাত নে
প্ৰতিবাদী মিছিল
এনেকৈয়ে দিন

# বগীবিল

**তপোধন দাস**

ইপাৰ সিপাৰ লুইতৰ দুপাৰ
দীঘলকৈ লাগিলে জোৰা
বগীতৰা আহি কাৰেং পালেহি
টোপোলাত পিটিকাৰ পোৰা
ঐনিতমৰ উমত হ'লহি গধূলি
সাজত আপঙৰ জুতি
বগীবিললে' আৰু কেলৈনো ওভতোঁ
কাৰেঙতে সপোঁ ৰাতি।

# মন ফুলনিৰ ফুল

ৰত্ন কান্ত শৰ্ম্মা

কাজল সনা তোমাৰ দুচকুৰে
চিক্‌মিক্ বিজুলী চমকে
হৃদয়ত মোৰ ফাগুন আহে
ৰিব্ ৰিব্ বসন্তৰ বা বলে।
ফুল সোণাৰুৰ হালধীয়া
প্ৰেমৰ ৰঙীন ফুল
ৰঙা কৃষ্ণচূড়া
অভিমানী ফুল
নীল নীল নীলা
নীলা অপৰাজিতা।
ৰঙা নীলা হালধীয়া
ৰামধেনু ৰঙৰ
কত ফুল ফুলিছে
মোৰ মন ফুলনিত
আৰু ফুলিছে
ৰাতি ফুলা ফুল
সুবাসেৰে ভৰা ৰজনীগন্ধা।

# প্ৰাত্যহিকতা

**মদন চন্দ্ৰ ডেকা**

পৰিৱেশটো থমথমীয়া
বতাহ বলা নাই
শান্তনু শৰৎ লুৎফুৰ
প্ৰাতঃভ্ৰমণ সামৰি উভতা নাই
কিবা এটা যেন নাই
কি নাই
শালিকী কপৌ ঘনচিৰিকাই
সমস্বৰে ক'লে
আজি বাতৰিকাকত নাই।

# হৃদয় সংবাদ ঃ দুটি স্তৱক

মীনাক্ষি ৰায় ডাকুৱা

(এক)

ৰ'দালিয়ে উজলোৱা মায়াময় ৰাতিপুৱা
এটি অনন্য স্বপ্নিল অনুভূতিৰ আমেজ
সূৰুয আৰু সূৰুযমুখীৰ আবেশৰ সুবাস
জীয়াই থকাৰ এক অদম্য
হেঁপাহ আৰু প্ৰেৰণাৰ উৎস
প্ৰীতি আৰু শুভেচ্ছাৰ এক ঐশ্বৰ্য্যময় আহ্বান
য'ত মাথোঁ হৃদয় সংবাদ এটি মিঠা শব্দেৰে
- সুপ্ৰভাত

(দুই)

জোন আৰু তৰালিৰে বিধৌত ৰাতি
নৃত্যৰতা জোনাকীৰ বিস্তৃতিৰ চিৰন্তন হাবিলাস
ৰিণিকি ৰিণিকি দূৰণি গচকি অহা
এটি সুৰৰ মূৰ্চ্ছনা
সপোনপুৰীৰ মহলত আলফুলে আনে
নিদ্ৰাৰ আবিলতা
দুচকুৰ গভীৰতাত বিশাল আকাশৰ নীলিময় ব্যাপ্তি
য'ত মাথোঁ হৃদয় সংবাদ এটি মিঠা শব্দেৰে
- শুভৰাত্ৰি

# হঠাৎ এদিন মহানগৰীত

অগস্ত্য বৰুৱা

ইয়াতেই আছিল
হয়
ইয়াতেই আছিল
সেই হাঁহিটো

যাৰ বাবে মই বৈ আছিলোঁ
ঘণ্টাৰ পিছত ঘণ্টা
গুম্‌টিৰ পিছত লুকাই লুকাই
টানি একোটা ফ্লেক্‌ চিগাৰেট

ডাঙৰ হোৱাৰ আখৰা কৰি

হাঁহিটো যিদিনা সৰিছিল
মাটিত পৰিবলৈ নিদিয়াকৈ
আলফুলে সাঁচি থৈছিলোঁ
মোৰ হিয়াৰ মাজত

ৰাতি এঘাৰ বজাত
পুলিচ পইণ্টত থিয় দি
সেই নিশা ছিগ্‌নেল দিছিলোঁ
কিছু সঁচা

## কাব্য ভাবনা

কিছু কাল্পনিক বাহনক
পিছদিনা ক্লাছৰ পৰা আহি
গজা চাহ খাই
চেলুনখনত মুখখন চাইছিলোঁ ভালকৈ
নতুনকৈ ঠুঁটিওৱা গোফৰ তলত
এক সলাজ হাঁহি

বুকুৰ মাজত যে লুকাই আছে
সেই আলফুলীয়া হাঁহি

ৰাতিৰ কিৰিলিত
দীঘলীপুখুৰীৰ পাৰৰ হোষ্টেলৰ পৰা
ভাহি আহিছিল নেকি বাৰু উৰুলি

এতিয়া
কিৰিলি দীঘলীপুখুৰী পাৰ নহয়
অ'ৰ ত'ৰ দেৱালত লাগি ৰৈ যায়

চিগাৰেট খোৱা গুম্‌টিটো হেৰাই গ'ল
বিশাল অট্টালিকাৰ বুকুত

হোষ্টেলৰ সন্মুখত এতিয়া ডিজিটেল নীৰৱতা
আছেনে বাৰু কৃষ্ণকাইহঁতৰ সেই সৰলতা

পুলিচ পইণ্টৰ
সেউজীয়া লাইটেৰে পাৰ হৈ যায়
সহস্ৰ আলসুৱা হাঁহি

যি বাজি থাকে ৰৈ ৰৈ যেন এক সুৰীয়া বাঁহী।।

# আমি আহিলোঁ

**অমল শইকীয়া**

মা আমি আহিলোঁ
তুমিয়েইতো আমাক নিমন্ত্ৰণ জনালা
আমবেলিকেল কৰ্ডেৰে আৰু কিমান খাম তোমাৰ
প্ৰাপ্য খাদ্য
মা তুমি আমাৰ বাবেইতো খোৱা
আমাৰ বাবেইতো জিৰণি লোৱা
আমাৰ বাবেই নিজক সযতনে ৰাখা
লাইকৰত আমি সাঁতুৰি নাদুৰি থাকোতে তুমি বাৰু
বেদনাক্লিষ্ট হৈ পৰা নেকি মা? তুমি আমাৰ অজ্ঞাতে
কষ্টসহিষ্ণু হৈ সমস্ত কষ্ট আকোৱালি লোৱা যে মা।
কিয় মা? কিয়?
আমাৰ পৰিবৰ্ত্তন তুমিও বিচাৰা মা
ফিটাছৰ পৰা বেবি হোৱালৈকে
আমি আহিলোঁ মা
তোমাৰ মমতাৰ বাবে
তোমাৰ উষ্ণ বুকুৰ স্তন পান কৰি আমি অমৃত পাম
তোমাৰ অমিয়া চুম্বনত আমি উশাহ ল'ম জীবলৈ
তুমি আমাৰ মা।

(আমবেলিকেল ক'ৰ্ড- নাড়ী, লাইকৰ্- গৰ্ভাশয়ৰ পানী ভাগ, ফিটাছ- গৰ্ভস্থ সন্তান।)

# কণ্ঠ হেৰাই গ'ল

**ৰত্নকান্ত শৰ্ম্মা**

বয়স তেওঁৰ তিনিকুৰি দহ
যাওঁ দে বুলি
সঁচাকৈয়ে গ'ল
মৰুদ্যান মৰুময় হ'ল।
তৰাৰ স'তে হেনো পাতিব দীপালি
নিয়ৰে দিলেহি খবৰ
কণ্ঠ হেৰাই গ'ল
বাজি থাকিল বিষাদৰ বাঁহী।
কোকিল কণ্ঠৰ
বসন্ত আৰু বাৰিষাৰ গীত
স্মৃতি হৈ ৰ'ল
হৃদয়ৰ গহন কুঠৰীত।
বেদনাসিক্ত দিগন্ত
স্তব্ধ কোকিল কণ্ঠ
ৰিক্ত হৃদয়
মই যে নীলকণ্ঠ।

# দীপালি বৰঠাকুৰ-নীলপৱন বৰুৱা সমীপেষু

**মদন চন্দ্ৰ ডেকা**

সুৰীয়া আকাশ তোমাৰ
সুৰীয়া জীৱন
বাংময় ৰেখাচিত্ৰ
অপূৰ্ব্ব প্ৰকাশ
তাজ নিষ্প্ৰভ
অমৰ প্ৰেমৰ গাঁথা
বেদনাৰ নীলা
কণ্ঠহাৰ
তুলি আৰু সুৰৰ
অমৃতময় যুগলবন্দী।

# সুবাস

পূৰ্ণেন্দু শৰ্ম্মা

তুমি আহো বুলি ক'লে
নাহো নাহোকৈ থকা ফাগুনেও চোন
সাজোন কাচোন কৰে;
সেন্দূৰ সানি ৰৈ থকা বেলিটোৰ
ৰ'দৰ পিঠিত বহি
ঘৰমুৱা শৰালি যুৰিয়েও ঘৰ পাহৰি
ৰঙৰ মেলত বহে।

চিনাকি তৰালিৰ গাত দেখোন ততেই নাই
আবেলিতে সন্ধিয়াৰ চানেকি ৰচে।
তোমাৰ নামেই পাৰিজাত কুসুম নেকি
শ্রাৱণী উশাহতো আজি কোমল সুবাস এৰে ।।

# "মা"

তপোধন দাস

মা মোক তুলি তালি কৰিলি ডাঙৰ
তোৰ সমান হ'ব কোন নৈৰ সমান ব'ব কোন
সৰুতে মই নৰিয়া পৰিলে
তই ধূনা চৰাই নিকা কৰা গধূলি
তোৰ ঘোষা শুনি অহা মোৰ টোপনি
সুঁৱৰিলে এতিয়াও শিশু হৈ যাওঁ
আহিনৰ নিয়ৰত মনত পৰে
গুৰুকুল যাত্ৰাৰ সেই সেমেকা পুৱা
তই আঁচলেৰে চকু মচি বিদায় দিয়া
কুঁৱলিৰ সিপাৰে তই
মা তই ঠিকেই কৈছিলি
ঘৰ এৰি তেতিয়াই আলহী হলোঁ
গুৰুকুল এৰি ৰজাঘৰ পালোঁ
ঘৰ বুলি কিমাননো গ'লোঁ
পুৱা গধূলি তই গোঁসাইঘৰত
মোৰ বাবে নিতৌ চাকি জ্বলালি
আশাৰ্ব্বাদত কত চকুলো সৰালি
পাওঁ বুলি মোক তই ঢুকি নাপালি
মা সৰগতকৈও ডাঙৰ তই
কিহেৰে শুজিম  তোক মই
জীৱন দি পূজিম তোক মই ।।

# এলাগী-পাগলী

জয়ন্ত বৰদলৈ

আছে তাইৰ এটা ফটা বেগ
আৰু এখন উৰলি যোৱা শাড়ী
ফুটপাথেই তাইৰ ঘৰ
নাম তাইৰ এলাগী।
জন্মতেই নাছিল তাই এলাগী
যৌৱনত আছিল লাহি
সুখৰ সংসাৰ গঢ়িছিলেও তাই
সপোন ৰচি ৰচি।
কিন্ত হায় ! অকালতে মৰহি গ'ল
দুটি ক'লিৰ এটি ক'লি
অঠাই সাগৰত পৰি ৰ'ল
আধৰুৱা সপোনবোৰ।
তথাপিও সংগ্ৰাম কৰি গৈছিল তাই
জীৱন যুদ্ধত নাছিল হৰা,
কিন্তু তাইক হাৰিবলৈ বাধ্য কৰোৱা হৈছিল।
জীৱনৰ বেলিও লহিয়াইছিল
আশা আকাংক্ষাবোৰো আঁতৰি গৈছিল
মানসিক ভাৰসাম্যতাও হেৰুৱাইছিল তাই।
পৰিৱৰ্ত্তনৰ বতাহত
লাহিৰ অস্তিত্ব হেৰাইছিল
নামান্তৰিতহৈ পৰিছিল তাই।
নাম তাইৰ এলাগী পাগলী।

# পৰীজনী

মদন চন্দ্ৰ ডেকা

থুনুক থানাক মাত তাইৰ
থৰক বৰক খোজ তাইৰ
অনাবিল খিল খিল হাঁহি

পৰী- এইফালে-ধুপুচ
পৰী নাযাবা-ধুপুচ

বুকুৰ জুৰণি তাই
প্ৰাণৰ হেঁপাহ তাই
মাটিত থওঁ !
ওঁহো পৰুৱাই খাব
মূৰত একা !

পৰীয়ে বৰ্ণমালা শিকে
অ আ ক খ
পৰীয়ে এলফাবেইট শিকে
এ বি চি ডি

পাটগাভৰু পৰী
চকুত সলাজ চাৱনি
পিতৃ-মাতৃৰ বুকু ভৰে
বৰ এজনী হ'ল আমাৰ পৰী

কাব্য ভাবনা

কৃষ্ণচূড়াৰ ৰঙেৰে ৰঙীন
পৰীৰ যৌৱন
পক্ষীৰাজ ঘোঁৰাত উঠি আহে
কোন ৰূপকোঁৱৰ

পৰী ডাঙৰ হ'ল
শ্ৰেণীত নেন' ফিজিক্স
পঢ়াব পৰা হ'ল
ঘণ্টাৰ পিছত ঘণ্টা
গৱেষণা কৰিব পৰা হ'ল

পৰী ডাঙৰ হ'ল
আমাৰ গৌৰৱৰ থলী হ'ল।



# জীৱনৰ গান

অমল শইকীয়া

এজাক পছোৱাই ছুই গ'ল মোৰ মন
বাকুল হ'ল হৃদয়
উপচি পৰিল জীৱনৰ অমিয়া গতি
সুখৰ প্ৰজ্ঞালব্ধ প্ৰতিশ্ৰুতি
হৈমন্তিক পুৱা, বাসন্তী ৰ'দ আৰু শাৰদীয় গীতত
উৎফুল্লিত হ'ল জীৱন
জীৱনত জাগৰিত জেউতি
সেউজ হ'ল সময়।

প্ৰতিটো খোজ আমি নিজে সজাঁও জীৱনৰ
প্ৰতিটো সময় আমি অলঙ্কৃত কৰোঁ বিশ্বাসত
বিশ্বাসৰ বুকুত খোদিত হয় আশ্বাস
বিমল প্ৰশান্তি...
আমি যদি হাঁহো জীৱনে হাঁহে
আমি যদি কান্দোঁ জীৱনে কান্দে
আমি যদি গীত গাওঁ
জীৱনেও গায়
অনুপম সুৰত আজীৱন
দুখৰ বেহেলাৰ সুৰত সুখৰ তানপুৰা গীত
আমি স্পন্দিত কৰোঁ প্ৰেমৰ শব্দ
ছন্দোৱদ্ধ সময়ৰ গতিত
জীপাল হয় জীৱনৰ গান

# উতনুৱা সোঁত

**শৰৎ বৰকাকতি**

ৰিক্ত হৃদয়ে
সিক্ত নয়নে
অবুজ তাড়নাত
হাহাকাৰ কৰে
পৰিপূৰ্ণতাৰ আঁৰে আঁৰে
হুমুনিয়া সৰে
বাৰে বাৰে।

ইমান চিৰন্তন
বুকুৰ বিষাদ
শৰতৰ শেৱালিৰ দৰে
ওৰে নিশাৰ সেই
হাঁহিৰ কোণেৰে
নিয়ৰৰ চকুলো সৰে
নিঃসঙ্গতাৰ সুৰে
আমনি কৰে
বাৰে বাৰে।

আৱেগৰ নদীৰ
পুৰণি ঘাটত
মন জপিয়াই পৰে

## কাব্য ভাবনা

উতনুৱা সোঁতৰ
চিনা-অচিনা
চেহেৰা বিচাৰি ফুৰে
পাৰলৈ উলটি আহে
অপূৰ্ণ মনেৰে
বাৰে বাৰে।



# শেষ চুম্বন

**জয়ন্ত বৰদলৈ**

শৰবিদ্ধ হ'ল
বহু আপোন জন
শৈশৱ আৰু যৌৱনৰ
বিষাক্ত তীৰৰ
অমোঘ আঘাতত

বিচৰা নাই মই
সেই চিনাকি মৃত্যু
সেই মৃত্যু যেন হওক
তোমাৰ হাতৰ দৰে কোমল
শেষ উশাহো যদি হ'লহেঁতেন
ক্লিউপেট্ৰাৰ শেষ চুম্বন।

# পাখি লগা মন

মদন চন্দ্ৰ ডেকা

লক্ষ্যৰ শেষতো লক্ষ্য থাকে
যেনেকৈ থাকে সীমাৰ শেষতো
অসীমৰ হাতবাউলি

মই এক গতিৰ সন্ধানত
মেৰুৰ পৰা মেৰুলৈ
যিয়ে মোক লৈ যাব পাৰে

# মধুমিতা

ৰত্নকান্ত শৰ্ম্মা

আকাশলৈ চালোঁ
বুকুখন নীলাৰে ভৰা
মেঘলৈ চালোঁ
শুকুলা মেঘৰ ছাঁ
যেন মনালিছা
বিজুলী চমকত
কজলা মেঘৰ
চকুলো সৰিলে
বসুমতী হ'ল ঋতুমতী
কঁহুৱা বনত
লয়লাস নাচোন নাচি
ৰূপৰ অমিয়া বোৱাই
কোন তুমি মধুমিতা।

# স্পৰ্শ

বিৰাজ জ্যোতি গোস্বামী

মই এতিয়া গোঁসাই ঘৰলৈ যাম
চাকি দি থাকোঁতে গম পাম
তুমি আহিছা
তুলসীজোপাৰ কাষত ৰৈছাহি
চাকি দি আহি তোমাক সেৱা কৰিম
তুমি চুমা এটা দিবা
তোমাৰ বুকুত মূৰটো গুজি দিম
চুলিত হাতবুলাই তুমি ক'বা
বছৰটো শুভ হওক
মোৰ পাতনি দিনটোত
বহুতেই মোক শুভেচ্ছা জনাব
মৰম দিব
উপহাৰ দিব
মনে মোৰ কিন্তু হাহাকাৰ কৰিব
এক অপাৰ্থিৱ স্পৰ্শৰ বাবে
মোৰ চুলিৰ ফাকেৰে সৰকি
মোৰ মনটোত দিয়া বুলনিৰ।

# কোলাহল

পূৰ্ণেন্দু শৰ্ম্মা

এদিন আকাশ স্তব্ধ হ'ব
নৈৰ সোঁত ওলোটা মুখে ব'ব
ৰাতি সূৰ্য্য ওলাব
শ্মশান হ'ব জনসভাৰ প্ৰাঙ্গন।
বুৰঞ্জীয়ে তেতিয়া ক'ব
মোৰ সমাৰ্থক হৈ নাহিবা,
শব্দবোৰ কবিতা হ'বলৈ দিয়া
কবিতাবোৰ গান
আৰু সুৰৰ আৰ্ত্তনাদত
জাগিবলৈ দিয়া
মোৰ চৌদিশ চৌপাৰ।।

# পোহৰ

কস্তুৰী নিভা গগৈ

পোহৰ আমাৰ দৃষ্টিত
পোহৰ আমাৰ সৃষ্টিত
পোহৰৰ বাট বুলি যাওঁ
বাটে-বাটে পোহৰ বিলাওঁ
আজীৱন পোহৰ সন্ধানী
পোহৰো ৰৈ আছে
আমাৰেই অপেক্ষাত।

# অপেক্ষাৰ গুণ গুণ

শৰৎ বৰকাকতি

আলি দোমোজাত
হেৰাল জীৱনৰ আঁত
থমকি ৰ'লোঁ
অপেক্ষাত
কোনোবা আহিব -
জেতুকা বোলোৱা হাতেৰে
খামুচি ধৰিব
মোৰ হাত
ওঁঠত জোনাক বিৰিঙাই
মোক ক'ব -
ব'লা, সেয়া
সেয়াই পোহৰৰ বাট।

# ভালপোৱা অনন্য

**তপোধন দাস**

সেয়ে অনন্য ‘ভালপোৱা’
ফাগুনেই আনে হিয়ালে’
‘বসন্ত’ক ভালপোৱাৰ অনুভৱ
‘বসন্ত’তে নির্লিপ্ত ‘ফাগুন’
তথাপি ‘অভিমান’
নসহে অতীত ফাগুনে
ব’হাগৰ আগমন
নসহে পলাশে ‘নাহৰ’ৰ ‘মিচিকি হাঁহি’
ঋতুৰ অন্তর্লিন বিৱৰ্ত্তন
লাজুক ধৰিত্ৰীৰ শুকান পৃষ্ঠ
প্ৰেমাস্পদ বসন্তই তাত থ’বহি খোজ
‘কোমল ঘাঁহে’ সেয়ে ঢাকি দিয়ে শুষ্কতা
পাৰি দিয়ে সেউজ দলিচা..
এয়া অনন্য ‘ভালপোৱা’...

# অভিমানী ফাগুন

অমল শইকীয়া

হে অভিমানী ফাগুন
কিহত বেয়া পালি
কাকো নোকোৱাকৈ যে মনে মনে গুচি গলি
কাক বেয়া পালি
তয়েইতো নাচিছিলি আমাৰ বুকুত হালিজালি

আমাৰ বুকুত পলাশ ফুলালি
মদাৰৰ ৰং সিঁচি
মন উতনুৱা কৰি
চ'তক নিমন্ত্ৰণ জনাই
নিৰলে গুচি গলি

অভিমানী ফাগুন !
তই গৈছ যা, আকৌ আহিবি
আমাৰ হিয়াত পলাশ ফুলাবলৈ তই আকৌ আহিবি

# ফাগুন

মদন চন্দ্ৰ ডেকা

ফাগুনৰ বনত মন জলে
ফাগুনৰ বনত মন গলে

ফাগুনৰ জুইত হিয়া গলে
ফাগুনৰ জুইত আকাশ জলে

মনৰ ফাগুন বনত জলে
বনৰ ফাগুন মনত গলে

# চিঁয়াহী

তপোধন দাস

ক'লা পণ্যত এদিনীয়া অধিকাৰ
সহস্ৰ কোটি আঙুলিত গণদেৱৰ ভাগ্য
দিনান্তত সমাপ্ত অধিকাৰ
মঞ্চ এৰি ঘৰমুৱা প্ৰজা
নখে নখে ক'লা অধিকাৰ
জয় পৰাজয়ৰ ভাগ্য
সামান্য প্ৰভেদত বিজয়ৰ উল্লাস
সামান্য বিজয়ত অসামান্য ক্ষমতা
সিংহাসন প্ৰতিষ্ঠা
ৰাজপাট মন্ত্ৰণা
চমকত জিলিকে গণদেৱ
ভমকত শিয়ৰে পাৰিষদ
বতাহত বিয়পে অলেখ আঁচনি
বিমানত দেশে দেশে ভ্ৰমে গণদেৱ
লিপিৱদ্ধ হয় বিপুল চুক্তি
সাম্য মৈত্ৰীৰ
বিজ্ঞান প্ৰযুক্তিৰ
বেহা বাণিজ্যৰ
সমৰাষ্ট্ৰ বিনিময়ৰ
সন্ত্ৰাসবাদ নিৰ্মূলৰ
সমুদ্ৰ বিভাজনৰ.....

## কাব্য ভাবনা

সমৃদ্ধি ইমান কঠিন
শান্তি ইমান দুষ্প্ৰাপ্য !
প্ৰজাই ইমান নুবুজে
প্ৰজাক ইমান নালাগে
শৰীৰৰ ঘামেৰে নিয়ন্ত্ৰণ কৰে শীত-তাপ
নাখাটিলে নজলে প্ৰজাৰ চৰু
ক'লা পণ্যত সম্প্ৰীতিৰ আশা
সাব্যস্ত কৰেহি এদিনীয়া অধিকাৰ...



# প্ৰেম

পূৰ্ণেন্দু শৰ্ম্মা

চাবুকৰ কোবত জন্মে
মোৰ প্ৰেম,
প্ৰেমৰ সাঁথৰ
ভাঙি দিলেই উৰি যাব নেকি
তেজী ঘোঁৰাৰ সমদল বিশাল
দেশ বিদেশৰ

# এনেকৈ এদিন বৰষুণে নাচিব

অমল শইকীয়া

যেতিয়া আকাশ গা ভাৰী হ'ব
যেতিয়া ডাৱৰৰ অভিমান জাগিব
তেতিয়াই এজাক বৰষুণ নামি আহিব
নূপুৰ পিন্ধা বৰষুণ
ছটিয়াই দিব ৰজস্বলা পৃথিৱীৰ এজাক প্ৰেমৰ
মাধুৰিমা সপোন
সপোনৰ গুণগুণ গান

বৰষুণে বৰষুণে প্ৰেমৰ আলিঙ্গন
মলয়াৰ শীতল স্পৰ্শত বহুৰঙী পুষ্পৰ
নৱ প্ৰস্ফুটিত লগন

নিবিড় বৰষুণৰ আমেজময় আয়োজন।

# গাঁৱত সন্ধিয়াৰ বৰষুণ

মদন চন্দ্ৰ ডেকা

বেলি ডুবাৰ পৰতে
আকাশৰ উচুপনি বাঢ়ি আহিছিল
আলফুলীয়া শাওণৰ হেঁপাহ
তেতিয়া জীপাল হৈ উঠিছিল।

মদালসা গাভৰুৰ
কবৰী সুলকি পৰিছিল
ঘৰৰ চালৰ টুপ টুপ শব্দত
সন্ধিয়াটো ৰহস্যঘন হৈছিল।

ঘৰমুৰা বেলিৰ হেঙুলী ৰহণ
অস্তাচলত বিলীন হৈছিল
বাহলৈ ওভতা চৰাইৰ কাকলিয়ে
চৌদিশ মুখৰিত কৰিছিল।

ভাগৰুৱা ককাইৰ কান্ধৰ কোৰখন
দোপ দি নামি আহিছিল
জাকৈয়া ছোৱালীৰ জাক হাঁহি
বৰঘৰৰ মজিয়াত মাৰ গৈছিল।

গঁড়ালৰ হাঁহকেইজনীয়ে

## কাব্য ভাবনা

কথাৰ মালিহা মাৰিছিল
গোহালিৰ বলদহালে
আয়ামেৰে ঘাঁহ পাগুলিছিল।

পথাৰৰ পৰা ভাঁহি আহিছিল
ভেকুলীৰ টোৰটোৰণি
আৰু বাঢ়ি আহিছিল
জিলীৰ সমবেত সঙ্গীতৰ সুৰ।

সন্ধিয়াৰ সুৰৰ ৰাগিনী
বিষাদ চেতনা হৈ বাজিছিল
পানীপোতাৰ সৰু নৈখন
ভাবৰ বুৰবুৰণিৰে ভৰি পৰিছিল।

বাঁহনিৰ আগেদি আন্ধাৰ নামিছিল
টিপ চাকিবোৰ জ্বলি উঠিছিল
সাধুকথাৰ উমাল পাগত
গাঁৱলৈ সন্ধিয়াৰ বৰষুণ নামিছিল।

# তিনিটা স্তৱক

কঙ্কন শৰ্ম্মা

(১)
বাহিৰত বৰষুণ
পিছলি পিছলি আহি আছে সোঁৱৰণী
হে অতীত
নিদিবা ইমান আমনি।

(২)
এনেকুৱা বতৰত ওলাই গৈছিলোঁ
এটি ছাতি দুটি মন
জিপ জিপ বৰষুণ
ক'ত হেৰাল ক'ত হেৰাল
সেই উছাহৰ ৰহণ !

(৩)
পদূলিমুখ পিছল
ঠেক জেওৰাৰে অহাযোৱা কৰে
মোৰ প্ৰেমৰ কবিতা
হেৰাই থাকিল ক'ৰবাত-
বাজি ৰ'ল হৃদয়ত
মৃদু সেই অনুভৱ।

# বতৰ চাই কঠীয়া

মদন চন্দ্ৰ ডেকা

গ্ৰীষ্মৰ আবেলি
বতাহ থম ধৰি আছে

ক'ৰবাৰ পৰা ভাহি আহিছে
কুলিৰ মাত

আমবোৰ পূৰঠ হ'বলৈ লৈছে
দুই চাৰি দিনতে পকিব
হিয়ালি জিয়ালিকৈ কন্দা বতৰ
এতিয়া থিত লাগিছে

টোকোৰা চৰাইৰ বাহবোৰ
ওলমি ৰৈছে তামোল গছত

ব'হাগী বিদায়ৰ হে
আয়োজন এতিয়াও বাকী

বাৰীৰ পাছৰ ঢেঁকীয়া
কেতিয়াবাই পোন হ'ল

কুঁজীথেকেৰা টেঙাৰ শুঁঠি
কৰিবৰ সময়ো হ'ল

বোলো গ্ৰীষ্মৰ আবেলি
ওপৰলৈ চোৰাহক

বতৰ চাই কঠীয়া
এইবেলি পাৰাহক।

# প্ৰেমৰ উৎস বিচাৰি

**শৰৎ বৰকাকতি**

তুমি মেঘালী নে
বিজুলী নে শ্যামলী
সুবাসনা, সুশোভনা
চম্পা, ৰাধাচূড়া
মালতী নে
শুই থকা শেৰালি
হিয়াৰ দুৱাৰমুখত
ইমান চিনাকি মুখ
মন প্ৰাঙ্গন মোৰ
উদুলি- মুদুলি ...

বাজিল পুৱাতে
বাৰিষাৰ মেঘমল্লাৰ
সুৰে সুৰে পখীৰ কাকলি
আলিঙ্গন উন্মুখ
যৌৱনৰ সত্তা
গজি উঠে লহপহ
শুকান মাটিৰ
আৱৰণ ফালি ...

## কাব্য ভাবনা

অভিসাৰী মনে মোৰ
মানিব নোখোজে
নিয়মৰ পুৰণি শিকলি
দেহ মন এক হৈ
প্ৰেমৰ উৎস ক'ত
ফুৰিছে বিচাৰি
সপোনৰ কঠীয়া
আজি চোন
নাচে হালিজালি...



# বোধ

কঙ্কন শৰ্ম্মা

তোমাৰ মঙ্গলময় কামৰ আশিসে
নিচিনে আমাৰ শিৰ
দুৰ্ভগীয়া শব্দবোৰে জীয়াই ৰাখিছে
আমাক কৰি ৰাখিছে স্থিৰ।

নকৰোঁ বুলিও বাৰে বাৰে
বেঙুনীয়া কৰোঁ আঙুলি
আৰু বেঙুনীয়া ৰংখিনি ক্ৰমান্বয়ে
মোলান পৰি নোহোৱা হোৱাৰ দৰে
নাইকীয়া হয় বিভিন্ন প্ৰতিশ্ৰুতি

আমিবোৰ পৰি থাকোঁ
কথা কোৱা ফটোবোৰত চাওঁ
কীৰ্ত্তিৰ বিভিন্ন জাননী

মই ল'ৰাক আঙুলিত ধৰি দেখুৱাই দিও
গৰু যোৱা লুংলুঙীয়া বাটৰ সিমূৰত
উকা পথাৰখন।

# নীলাঞ্জনা

ৰত্নকান্ত শৰ্ম্মা

নীলা আকাশ
তোমাৰ দুচকু
জোন তৰাই মেলিছে
জোনাকী মেলা
প্ৰেম আৰু প্ৰতিশ্ৰুতিৰে
তুমি প্ৰগলভা
সন্ধিয়াৰ তৰা
সাগৰ গভীৰ
তোমাৰ হিয়া
তোমাৰ বুকুৰে বয়
নৈ নিজৰা
ফাগুন ফাগুন মন
বাৰিষাৰ বৰষুণে
নিলে যে ধুৱায়
এৰি আহি দূৰ দিগন্ত
উৰি আহি ৰাজহংস
সোণাৰুৰ হালধীয়া
বোলেৰে বুলোৱা দুগালত
দিলেহি চুমা
অ' মোৰ নীলা দুচকুৰ
নীলাঞ্জনা!

# সেউজীয়া সুৰ

অগস্ত্য বৰুৱা

সেউজীয়া সুৰ এটা হৈ
বিভোৰ হৈ আছে গাওঁখন

নুসুধিবা কি ৰাগ

ফুটফুটীয়া ফুলবোৰ
লিপিট খাই আছে
খিলখিলিয়া পাটগাভৰুৰ হাঁহিত

প্ৰকৃতিয়ে ৰঙীন কৰা
লাৱণী হাত
বতাহত দুলি আছে
বতাহৰ গতি মোহনীয়া কৰি

পেঁপাৰ মাতে টানি নিয়ে
মুকলি পথাৰলৈ
ৰাঁই-জাঁই ৰাঁই-জাঁই দেহ মন

পেৰাত ভৰাই দুখবোৰ
সেউজীয়া সুৰ এটা
বাজি থাকে অহৰহ

কাব্য ভাবনা

কি নাম কি নাম
কি ৰাগ কি ৰাগ

এমোকোৰা হাঁহিৰে ক'লে
তেওঁৰ নাম হেনো ব'হাগ।।



# আউল লগা মনৰ গীত

**শৰৎ বৰকাকতি**

এপাহি গোলাপ ফুল
কোনোবাই কাঁইটীয়া ভুল হে দেখিলে
মনৰ ভুল সঁচাকৈয়ে হুল হৈ
কাৰোবাৰ কলিজা খুচিলে
এতিয়া ফুলপাহ বিচাৰিব কোনে
হেৰোৱা সুবাস পূৰাবহি কোনে

বিশ্বাস যেতিয়া হেৰায়
জীৱন আউল লাগি যায়
কাঁচিজোন ঢাকি ধৰে
সন্দেহৰ ধূসৰ ছায়াই
সহজ আবেগে উশাহ নেপাই
ধৰফৰ কৰে
মৰম নদীৰ আস্থাৰ সাকো
জুৰাবহি কোনে

মানুহে সঁচাকৈয়ে
দুৰ্দ্দশাকাতৰ কাৰোবাৰ
হৃদয়ৰ বিননি বুজেনে
হাঁহিৰ আঁৰৰ চকুলোৰ বাবে
সহানুভূতি জাগেনে
নিয়মৰ শিকলি যদি
নেদেখে সমাজে
মনৰ এন্ধাৰ বাৰু
গুচাবহি কোনে

# ফুল শেৱালি ফুল

অমল শইকীয়া

ফুল শেৱালি ফুল
বুকু উজাৰি ফুল
ববচা বন বগা কৰি ফুল
তোৰ গোন্ধত মতলীয়া হৈ
সমীৰণ হওক ব্যাকুল।

শাৰদী সমীৰণে শেৱালিৰ সুবাস বিলায়
শেৱালিয়েও মৰমতে গুণগুণাই গীত গাই
হৃদয় ভৰাই সুখ লৈ পখিলা উৰে
কুঞ্জপুষ্পত মৌপিয়া চৰে।

আকাশে বতাহে শাৰদী গীতৰ
ৰুণজুন ধ্বনি
ফুল শেৱালি ফুল
হৃদয় ওপচাই ফুল
সময় হওক আমোলমোল।

# কবিতা

**তপোধন দাস**

যন্ত্ৰণাও লালিত হয় কবিতাৰ বাবে
আকাংক্ষিত হয় লালন
অন্যথা ৰুদ্ধ সৃষ্টিৰ বিমূৰ্ত্ত পথ
সত্যৰ একক চৰিত্ৰত হেৰায় আস্থা
পূৰ্ণতাৰ বাদে সকলো সম্ভৱ অনুভৱী জীৱনত
পূৰ্ণতাত অন্তৰ্লিন পূৰ্ণসত্য
পূৰ্ণতাৰ উপলব্ধি অনন্ত
প্ৰতি উপলব্ধি একোটা অপূৰ্ণ সত্য
অনুসন্ধান ভাগৰুৱা হয়
ৰৈ ৰৈ আগুৱায় অন্বেষণ

‘প্ৰেম’ ও এক ‘পূৰ্ণসত্য’
অৱস্থিতি ‘পূৰ্ণতাত’
যি ‘অপ্ৰাপ্ত’
মাথোঁ ভিন্নতাত ‘উপলব্ধ’
একোটা ভিন্ন অপূৰ্ণ ‘সত্য’

# সফলতা

জোনা মহন্ত

মা-দেউতাৰ
চকুৰ মণি,
কৰিব লগা হোৱা নাছিল
কোনো দিন আক্ষেপ,
স্বামীৰ হৃদয়ৰ ৰাণী,
মোৰ ব্যৱহাৰে তেওঁক
দিয়া নাই আঘাত কোনোদিন
মোৰ বাবে এয়াই
মোৰ সফলতা

ল'ৰা-ছোৱালীৰ অতি
আদৰৰ মা,
মোৰ মৰমে সিহঁতক কৰে
সঠিক পথেৰে
আগুৱাবলৈ বাধ্য,

উৎসৱ পাৰ্বণত আপোনজনৰ আগমনে
আনে মনলৈ অনাবিল আনন্দ,
শহুৰ শাহুৰ আদৰ্শ বোৱাৰী,
দেওৰ ননদৰ মৰমৰ বৌ,
সহপাঠীৰ অতি আদৰৰ,

# কাব্য ভাবনা

মোৰ বাবে এয়াই সফলতা
উচিত শিক্ষা দিবলৈ
সাধ্য অনুযায়ী কৰোঁ চেষ্টা,
ছাত্ৰ-ছাত্ৰীৰ ভুলবোৰ আঙুলিয়াই,
মৰমেৰে দিওঁ শুধৰাই,
তেওঁলোকৰ সাফল্যই যে
মোৰ সফলতা।

বন্ধু বান্ধৱৰ আন্তৰিকতাৰে
দিয়া উৎসাহ প্ৰেৰণাতেই
যুগৰ লগত মিলি
সৰু সৰু কামবোৰ শিকিবলৈ
কৰো প্ৰয়াস
মোৰ হাতৰ সৃষ্টি
ভাল লাগে বহুতৰ,
অনাবিল আনন্দ পাওঁ
তেওঁলোকৰ প্ৰশংসাত,

কৰা নাই অপকাৰ
জানি বুজি আনৰ,
কৰিব নোৱাৰিলেও উপকাৰ
আনৰ সাফল্যই দিয়েচোন
আনন্দ অপাৰ,

মোৰ বাবে এয়াই
মোৰ সফলতা।

# কমলা কুঁৱৰীৰ সাধু

(১ ছেপ্টেম্বৰ, ২০১৮ ত দিখৌ নৈৰ বুকুত সলিল সমাধি ঘটা হৰেণ বড়াৰ পৰিয়ালৰ স্মৃতিত)

**মদন চন্দ্ৰ ডেকা**

আপামৰ ৰাইজ ঐ
কাবৌকৈ সুধিছোঁ
পানী বা কিমানে হ'ল
দিখৌ নৈৰ বুকুতে
সপোনৰ সমাধি
পানী যে এমূৰ হ'ল।
কলিটি মেলিছিল
আকাশে হাঁহিছিল
বতাহৰ নাচোনৰ তাল
ফেঁচাই কুৰুলিয়াইছিল
ফেঁউৰাই মাতিছিল
দিখৌত ৰৈ আছিলে কাল।
হেঁপাহৰ পুখুৰীত
সাঁতুৰি নাদুৰি
ভাগৰি পৰিলে হায়
সময় নৌহওঁতেই
মেলানি মাগিলে
জীৱনৰ সিপাৰ ধিয়াই।

# উৰণীয়া পখী

ৰত্ন কান্ত শৰ্ম্মা

ভাগৰুৱা পখী মই
জিৰাব খুজি
নাপালোঁ বিচাৰি বকুলজুপি
নাপালোঁ চিনি তোমাৰ পদূলি
এতিয়া যে শীতৰ কাল
নুফুলে ফুল সুগন্ধি বকুল
হেৰাল হেঙুলীয়া বাট
হেৰাল প্ৰেমৰ উপকূল।
উভতিলোঁ আজি
আকৌ আহিম বাৰিষা আহিলে
বলিব জুৰ মলয়া
তোমাৰ দেহৰ সুবাসত
হ'ব মন মতলীয়া।

# পিৰপিৰণি ঃ বিহু বুলি

শৰৎ বৰকাকতি

ক'ৰবাত শুনিলোঁ ঢোলৰ চাপৰ
পেঁপাৰে টিহিটি মাত
এ ৰঙালী বিহুটি আহি পালে বুলি
ততে নাইকীয়া গাত ...

বিহুৰে বতৰত মন কৰে ৰাঁইজাঁই
বয়স যাওঁ পাহৰি যৌৱন পাওঁ উভতাই
ৰাইজ নুদুষিবা গাওঁ যদি কিবা
নাচনী জোকোৰা বিহু যোজনা লগাই ...

মুগাৰে সাজেৰে এইজনী নাচনী
বৰকৈ শুৱাইছে
ঢোলৰ চেৰে চেৰে, পেপাঁৰ সুৰে সুৰে
লাহি ককাঁল, লাহি ককাঁল ভাঙিছে ঘনে ...

কলডিলীয়া খোপাতে পিন্ধিছা কপৌফুল
পাহি সৰি সৰি পৰে
কপালত বিৰিঙিছে ঘামৰে ঐ টোপালবোৰ
জিলিকিছে, জিলিকিছে মুকুতাৰ দৰে...

কাব্য ভাবনা

বিহুলৈ ওলাই আহ মাজনীৰ মাক
সাজি কাছি আহ তই মাজনীৰ মাক
নহ'লে মোৰ, নহ'লে মোৰ ঘূৰিব মন
পলম যদি কৰ মাজনীৰ মাক
মোক নুদুষিবি মাজনীৰ মাক
যদি বহে, যদি বহে নাচনীত মন ...

(এসপ্তাহ বিহু মৰাৰ পিছত ঘৰলৈ ভয়ে ভয়ে উভতি আহি ...)

মোৰে সোণজনী, চকুৰ মণি
তোৰে নিচিনা দেখাত শুৱনি
গোটেই চহৰ নেপাওঁ বিচাৰি
মিছাকৈহে হাবাথুৰি খাওঁ;
তাজমহল, কুতুবমিনাৰত
লালকিল্লা, ইণ্ডিয়াগেটত
পাণবজাৰ, ভৰলুমুখত
তেজপুৰ, শিৱসাগৰত
যেনি চাওঁ যেনি চাওঁ
ভিৰৰ মাজত তোক হে দেখা পাওঁ
সোণজনী
জুমৰ মাজত ভিৰৰ মাজত
সোণজনী
চকুৰ আগত বুকুৰ মাজত
তোক হে দেখা পাওঁ ...

# ফাগুনতেই আহিম

অশোক ভট্টাচাৰ্য্য

ফাগুন আহিলে
পলাশৰ উমে
পূৰঠ কৰে
বুকুত উমনি দিয়া
সেউজীয়া সপোন
নিবিড় সুঘ্ৰাণে
লহৰ তোলে
গছৰ নকঁপা পাতে পাতে
সখীয়তীয়ে দিলেগৈ বতৰা
নাথাকিল কেতেকী দহিকতৰা
নেঘেৰি খোপাত নাহৰকলি গুজি
বৰদৈচিলাজনীৰ দুৰু দুৰু কঁপে মন
লুইতৰ পাৰত ৰৈ আছেনে চেনাইধন।

# ৰাতিপুৱা মনটো ফৰকাল হ'ল

**কঙ্কন শৰ্ম্মা**

অপূৰ্ব্ব এই মিলন
জুৰ পৰি গ'ল বুকু
চোৱা - আমি দেখোন বুঢ়া হোৱা নাই...
ইমান আবেগ, ইমান মিল-
 ইমান আত্মীয়তা...

কিহেৰে ৰিজাম বন্ধু !
কিহেৰে তুলনা কৰিম
 এই অনুভৱ !
আমি জী থাকিব লাগিব বহুদিন
উত্তৰ পুৰুষক দেখুৱাব লাগিব আৰ্হি,
পুনৰ লগ হ'ম আমি
 নিশ্চয়কৈ লগ হ'ম-
বহুদিনৰ হাবিয়াস পূৰণ হ'ল
যোৱানিশা টোপনিও ভালকৈ হ'ল
 ৰাতিপুৱা মনটো ফৰকাল হ'ল।

# সেউজীয়া অৰণ্যৰ বতাহ

**অমল শইকীয়া**

অৰণ্যখন সেউজীয়া হৈ পৰিছে ক্ৰমে অনুক্ৰমে
বতাহ বলিছে বৃক্ষৰ পত্ৰ কঁপাই
ফুল ফুলে
বহুৰঙী ফুল
অৰণ্যৰ হিয়া ৰঞ্জিত কৰি
সমীৰণৰ চিত বিয়াকুল।

আকুল বিয়াকুল
অৰণ্যৰ সেউজীয়াবোৰৰ প্ৰণয় মাধুৰীত
সজ্জিত পক্ষীকূল
সেউজীয়া অৰণ্যৰ বতাহ বলে
সেউজী সেউজী গোন্ধ
চৌদিশে আমোলমোল
লঠঙা গছত সেউজীয়া নাচে
লাহে লাহে পৃথিৱীয়ে সেউজী সাজ পিন্ধে

# বালিভাত

মদন চন্দ্ৰ ডেকা

কুঁৱলি ফালি পুৱাৰ পোহৰ
নিহালি কেতিয়াবাই এৰিলোঁ
ৰৈ আছে সমনীয়া

সোণাপুৰ নে ধূপধৰাৰ সুমথিৰা
লক্ষ্য কহুৰা নে হাহিম
মাইকত বাজিছে গান

জখলাবন্ধাৰ খৰিয়া মাছ
উৰ্পদ বিলৰ ৰৌ ভকুৰা
ৰৌমাৰিৰ চিতল

ৰাতিতে কাটি থোৱা ছাগলীৰ মাংস
কুকুৰাও লগতে আছে
পাচলিৰ প্ৰয়োজন ক'ত

এদিনৰ বাবে বন্য হওঁ আহা
আৰণ্যক চেতনাৰে ঋদ্ধ
খাওঁ আহা বালিভাত।

# সৰগৰ স্মৃতি

তপোধন দাস

‘কেটেলক’ত মগাইছিলোঁ ৰূপালী কাপোৰযোৰ
চিলাইছিলোঁ মটীয়া ৰঙৰ সৰু চহৰখনত
আলিপহীয়া বাটপদূলি আৰু খহটা শিলনিৰ
ঘৰ্মাক্ত দুপদ দূৰত্ব
ঘনাই ‘চেন’ পৰা চাইকেলত নামি উঠে আশা
খলা বমা থেকেচাত কৰে আৰ্ত্তনাদ
চহৰখনত সৰু সৰু সপোনৰ ভিৰ
‘খুৰ্‌মা’, ‘বৰফি’ৰ আমোলমোল গোন্ধ
ফুট্‌ছাইৰে ঘঁহা চুটি চুটি গিলাচত
‘চিংগল’ চাহৰ উত্তাপ
চহৰখন মোৰ ঠন ধৰা কৈশোৰ
এছোৱা যৌৱনৰ লাজুক ইতিহাস
পঢ়াশলীয়া সংশয়
ভয়লগা বৰাছাৰৰ বিচৰণথলী
গণিত আৰু এছাৰিৰ শিহৰণ
পাতি চাইকেলত উৰি ফুৰা
আহমেদ দৰ্জিৰ চিলনীৰ নৈপুণ্য
চহৰখনৰ পৰা নিতৌ উভতে আবেলি
‘চেন’ পৰা চাইকেলৰ দীঘল বাটেদি
পদূলিত হয়হি গধূলি
বাৰান্দাৰ শুকান মাৰলিত

## কাব্য ভাবনা

আয়ে আঁৰি থয় লেমৰ পোহৰ
দোকানৰ বাকীত সাজৰ বজাৰ
এপোৱা মিঠাতেল এসেৰ নিমখ
(বাৰীত আছে বুলিহে অমিতা দুজোপা
ঘনাই তোলোঁতে পাতল হোৱা লাইডৰা
শুকোৱা হেন্দালিৰ শেষ লাওকেইটা)
হ'লেও আয়ে ৰন্ধা গধূলিৰ সাজ
গচাৰ চাকিয়ে পোহৰোৱা আখলৰ মজিয়া
পীৰাত দিয়া পানধোৱাৰ ভাত
বেলা-বাণত দেউতাক কৰা সেৱা
এয়া মোৰ সোণালী অতীত
সৰগৰ গাঁৱৰ ঘৰ।



# বসন্তৰ অপেক্ষাত

ৰত্ন কান্ত শৰ্ম্মা

কুঁৰলি সনা সোঁৰৰণী
দূবৰি বনত মুকুতামণি
নিয়ৰে মাতোতে সখী বুলি
ফুলবোৰে হাঁহি মাৰি মেলিলে পাহি
জাৰৰ দিন আহিব বুলি
আঘোণ নৌ আহোঁতেই
টোকোৰা চৰায়ে
বাহ্ থলে সাজি।
কেইদিনৰ নো জাৰৰ দিন
আহি আছে সপোনৰ ফাগুন
পলাশৰ ৰঙেৰে ৰাঙলী হ'ব দিগন্ত
দুৱাৰদলিত বসন্ত

# বসন্তই আমনি কৰে

**শৰৎ বৰকাকতি**

চকুত চকু থৈ
আজিও কাৰোবাৰ
হিয়াখন জুমি চাওঁ
পদূলিমুখত ৰৈ
আজিও অকলে
ফাগুনৰ গীত গাওঁ
বয়সৰ দোহাই নিদিবা
মনৰ পিয়াহ বাৰু
হঠাতেই কেনেকে গুচাওঁ...

পেঁপাৰ মাত শুনি
আজিও জেতুকাৰ
ৰঙত হেৰাই যাওঁ
পথাৰৰ নিলগত
জেংবিহু জুমি চোৱা
ল'ৰালি বিচাৰি পাওঁ
বয়সৰ দোহাই নিদিবা
মনৰ এলবামত
ছবি চাই জাগি উঠা
অনুভৱ কেনেকৈ লুকাওঁ ...
বহুতো বসন্তই

## কাব্য ভাবনা

গৰকা পথাৰ
সেউজ হৈ আছে এতিয়াও
কোনোবা ডালত যদি
কপৌ ফুল উঠে ফুলি
সুবাস কিয় নিবিলাওঁ
বয়সৰ দোহাই নিদিবা
জীৱনৰ সঁচা মৌ
হাততে হেৰাই গ'লে
ঘূৰাই আকৌ নেপাওঁ...



# কুশীলৱ

(২৯ জুলাইত ভিনছেণ্ট ভেন গখ্ আৰু ৩১ জুলাইত ফণী শৰ্ম্মাৰ মৃত্যুদিৱস উপলক্ষে)

**মদন চন্দ্ৰ ডেকা**

ভোগজৰাত কাৰ প্ৰতিচ্ছবি
আকিঁৰা কুৰোছোৱা নে
ভিনছেণ্ট ভেন গখ্
প'ল গঁগাও আহিছে নেকি

কাৰ কণ্ঠ নিগৰি ওলায়
মোক এবাৰ ফাঁচি দিবা
মই দুবাৰ আহিম...
সাবিত্ৰীৰ চকুপানী কোনে মচে
পুৱতি নিশাৰ সপোন দেখে কোনে
কুৰোছোৱাৰ ড্ৰীম্‌ছ পূৰ্ণ হয় ক'ত

নটসূৰ্য্যই ছবি অঁকা নাছিলনে
আঁকিছিল আঁকিছিল
চিৰাজ ভোগজৰাৰ পট আঁকিছিল
এমুঠি চাউলৰ বাবে হাহাকাৰ কিয়
ক'লাবজাৰৰ নাগপাশ ছিগি
নটসূৰ্য্যই ছবি আঁকিছিল

দ্য পটেট' ইটাৰ্ছ ছানফ্লাৱাৰ্ছ
ষ্টাৰী নাইট
প'ল গঁগাৰ কাৰণে প্ৰস্তুত
দ্য বেডৰূম এট্ আৰ্লছ
উন্মাদৰ দৰে ছবি আঁকিছিল
ভিনছেণ্টে

নাটক বলীয়া বলীনদা
উন্মাদৰ দৰে নাট মেলিছিল
বাণ ৰঙ্গমঞ্চত পূৰ্বজ্যোতিত
কিমানৰ চকুপানী মচিব
নিজৰ চকুলো লুকুৱাই

ছবিয়ে কথা কয়
নাটক ছবি ছবি নাটক চিনেমা
সকলো কুশীলৱ
গখ্ ফণী শৰ্ম্মা গঁগা
আকিৰা কুৰোছোৱা।

# হঠাতে আহিল এমুঠি জোনাক

**অমল শইকীয়া**

এমুঠি জোনাক নামি আহিল মোৰ অগোচৰে
ইপাৰে সিপাৰে দুয়োপাৰে সিঁচি দিলে স্নিগ্ধ
জোনাক, জোনাকৰ মেলা
এজাক উতনুৱা বতাহ বুকু ফিন্দাই আহিল
চুই গ'ল শৰীৰ, মন, আত্মা।
কস্মিনকালেও নভবা এটা জোনাকী সপোনে
মিচিকিয়াই হাঁহিলে মোৰ চ'ৰাঘৰত
বতাহজাক বিপৰীত দিশত বলিল
নৈখনো স্থবিৰ হৈ পৰিল
টোপাটোপে সৰিল মোৰ হৃদয়ৰ হেঁপাহ
আকলুৱা - বৰ আকলুৱা!
হঠাতে আহিল এমুঠি জোনাক
মোৰ জীপাল হৃদয়ৰ গুণ গুণ গান শুনি ...।

# নগৰত জগৰ

**মদন চন্দ্ৰ ডেকা**

বহুদিন অগস্ত্যৰ মাত শুনা  নাই
বহুদিন অগস্ত্যই কথা কোৱা নাই

নগৰত ক'ৰবাত জগৰ লাগিছে
চিয়াঙত ক'ৰবাত ডকা ফুটিছে

তলখোচৰা জনে গম পাব পায়
অগস্ত্যৰ অনুভৱৰ সীমা জনা নাই

মাজৰাতি বিনাবলৈ কেতেকীও নাই
সেমেকা শীতো আহি পোৱা নাই

বতৰৰ বতৰাত অশনি সংকেত
নাজানোঁ অগস্ত্য কিয়নো নিমাত

# অগস্ত্যৰ বতৰা...

**তপোধন দাস**

বিন্ধ্যাচলত আছে অগস্ত্যৰ খবৰ
সুউচ্চ বিন্ধ্য অগস্ত্যৰ অনুগত শিষ্য
জানে অগস্ত্যই কৰিছে দাক্ষিণাত্য গমন
আহোঁ বুলি নাহে উভতি
নতশিৰ বাধ্য বিন্ধ্যৰ স্থিতি
শিষ্যই নুবুজা গুৰুৰ ছলনা
উত্তৰাশ্ৰমত যজ্ঞৰ বিফল আয়োজন
অগস্ত্য অবিহনে কোনে কৰে মন্ত্ৰোচ্চাৰণ
তথাপি উত্তৰত আৰাধ্য অগস্ত্য
নতশিৰ বিন্ধ্যৰ অভিশপ্ত দশা
অগস্ত্য তাৰবাবে নিৰপৰাধী
পোহৰৰ অন্তৰায় বিন্ধ্যৰ উচ্চতা
উত্তৰত নপৰে সূৰ্য্যৰ কিৰণ
নুগুচে শীতৰ আতিশয্য
সেমেকা উত্তৰত এতিয়া সন্তুলিত কোমল উত্তাপ
অগস্ত্যৰ ছলনাময় ত্যাগৰ দান।

# উচাটন

**মদন চন্দ্ৰ ডেকা**

ৰাতি বিহুৰ দিনাখন
বৰদৈচিলাজনীৰ
বৰ আত্ৰানি হ'ল
সাতশাকী খোৱাৰ সময়তে
উথপথপ লাগিল
ধূলিয়ৰি গধূলি
দেও পাৰি আছিলহি
সপোন
উকহে খোৱা চুলিটাৰি
নাবান্ধিলেই যেনিবা !

# শৰৎ

ৰত্ন কান্ত শৰ্ম্মা

আকৌ আহিব শৰৎ
শেৱালিয়ে মেলিব পাহি
পখিলাই বেকাকৈ মাৰিলে হাঁহি
প্ৰিয়তমা আহিছে বুলি
কালজুৰি বৈ আছে
প্ৰেমৰ ৰূপালী নদী
মালতী ফুলৰ সুগন্ধিৰে বৈছে মলয়া
ফুলিছে ফুল শেৱালি বকুল
আৰু ফুল ফুলিছে
প্ৰেমৰ ফুল ৰজনীগন্ধা
সুবাসেৰে মন আকলুৱা

# My whereabouts

(মদনৰ মাৰফৎ)

**শৰৎ বৰকাকতি**

নিৰ্লিপ্ততাৰ হোটেলত আছোঁ
আজি কিছু দিন
ব্যস্ত বুলি ব'ৰ্ড এখন লগাই থৈছোঁ
কোঠাৰ দুৱাৰত।

দুপৰীয়া ওলাই যাওঁ
উদ্দেশ্যবিহীন অস্তিত্ব সূচক
অসংলগ্ন বিজিনেছ কাৰ্ডবোৰ লৈ

সন্ধিয়া উভতি আহোঁ...
অনামী আদিম উত্তেজনা
প্ৰশমিত কৰিব খোজোঁ
কাৰোবাৰ দুচকুত মুগ্ধ মায়াত...
অলপ স্তিমিত হোৱা যেন লাগে
নিষ্ফল আক্ৰোশৰ বাইপ্ৰডাক্ট
মোৰ মানসিক অৱসাদ।

মধুশালা গিজগিজাই আছে
মোৰ এজাক সতীৰ্থৰে...

## কাব্য ভাবনা

পিয়লাত চুমুক দি
একোখন টেবুলত অকলে অকলে
সবেই যেন চকুমুদি আছে
মুখত বিষাদ আৰু অনিশ্চয়তাৰ ছাঁ
গমেই নেপায়
শুই আছে নে সাৰে....

বাহিৰত এতিয়া ধুমুহা বলিছে
নে জোৰ লৈ এটি সমদল ওলাই আহিছে....
নিচা নে ভয়ত
থৰথৰ কঁপিছে মন
এনেকৈয়ে হোটেলতে কটাওঁ
নে ঘৰলৈ উভতি যাওঁ
হেংদানখন বা ক'ত থলোঁ...



# হালধীয়াৰ গান

মদন চন্দ্ৰ ডেকা

কিলিং কপিলী ধনশিৰিৰ
ঢৌ খেলা দুপাৰত
হালধীয়া দলিচা

বতাহে কঢ়িয়াই আনে
কোমল নির্যাস

দূৰণিৰ পাহাৰত
ঠেকা খাই দুপৰৰ বাঁহী

আকউ এবাৰ
ভাল পালোঁ
পৃথিৱী তোমাক।

# অভিসাৰ

ৰত্ন কান্ত শৰ্ম্মা

হেঙুল
হেঙুল
হেঙুলীয়া আবেলি
জাকি মাৰি উৰি যায়
জাক জাক বগলী
ঘন চিৰিকাৰ ঠোঁটত
আঘোণৰ মাণিকিমধুৰী
কি ফুল ফুলিছে
জুতি নে মালতী
গোন্ধে আমোলমোল
প্ৰিয়াৰ পদূলি
পানী তোলা ঘাটত
পাটগাভৰুৰ ধেমালি
জুহালত
আইতাৰ স'তে
থুপ খায় গাভৰু ছোৱালী
অভিমানী ৰাধাৰ
নূপুৰৰ ৰুণুজুনু ধ্বনি
কোন বৃন্দাবনত কানাই
বজাইছে বাঁহী

## কাব্য ভাবনা

জোনাকৰ মায়াসনা আকাশৰ পৰা
সৰিছে নিয়ৰ
সৰিছে ৰূপালী কুঁৰলি
সোণালী পখীৰ ডেউকাত
গাঁথি দিলোঁ তোমালৈ চিঠি
তোমাৰ আলহী প্ৰিয়া
আজি গধূলি
বকুল তলত বুকুৰ উম ল'ম
লুকাই লুকাই
কি যে মধুময় মায়াবী ৰাতি।



# মোৰ ভাব

জোনা মহন্ত

নাজানো  লিখিব কবিতা
বন্ধুবৰ্গ,
ভাষাৰ জ্ঞান যে তেনেই নগণ্য।

মাথোঁ লিখি যাওঁ
মনৰ মাজলৈ অহা কথাবোৰ।
মেলি দিওঁ, মাথোঁ তোমালৈ
ভুলবোৰ আঙুলিয়াই দিবলৈ।

শব্দৰ ভঁৰাল তেনেই তাকৰ
লিখি উঠি ভাবোঁ মনতে
কি যে লিখিলোঁ এইবোৰ!

তোমাৰ প্ৰশংসাই
দিয়ে মনত অপাৰ আনন্দ,
পাওঁ যে লিখাৰ প্ৰেৰণা,
তথাপিও থাকে যে
মনত সংশয়,
সঁচাকৈ পাৰিছোঁ নে বাৰু,
মনৰ ভাববোৰ
প্ৰকাশ কৰিব ...

## কাব্য ভাবনা

পালোঁ যে লিখাৰ
প্ৰেৰণা তোমাৰ পৰাই,
নিদিবা মিছা মন্তব্য
বন্ধুবৰ্গ,
ভুলখিনি আঙুলিয়াই দিয়াটোতো
তোমাৰেই কৰ্ত্তব্য।



# যদি মনে কয়...

**অমল শইকীয়া**

এটা দুটাকৈ শব্দবোৰ আনি
অনুভৱত পখালি কবিতাৰ কোলাত দিওঁ
আমাৰ জীৱন ৰঙীন হৈ পৰে
যদি মনে কয় আমি কথা ক'ব পাৰোঁ সময়ৰ লগত
অপৰাহ্ন সময়ৰ গান গাব পাৰোঁ নিৰ্ব্বিবাদে
পাৰ হ'ব পাৰোঁ অনুভৱৰ অদৃশ্য মায়াবী সূতাৰে।

আমি সুৰ হৈ আকাশ কঁপাব পাৰোঁ
বতাহ হৈ উশাহ দিব পাৰোঁ
বৰষুণ হৈ পৃথিৱীৰ তৃষ্ণা নিবাৰণ কৰিব পাৰোঁ
ৰঙ্গমঞ্চত অভিনয় কৰি লাভ কৰিব পাৰোঁ জাউৰিয়ে
জাউৰিয়ে হাতচাপৰি।

যদিহে আমাৰ মনে কয়...

যদিহে আমাৰ মনে কয়
আমি নদী হ'ব পাৰোঁ
সভ্যতাৰ ইতিহাস গঢ়িব পাৰোঁ
কলপতীয়া কৰিব পাৰোঁ হৃদয় উপত্যকা
যদিহে আমাৰ মনে কয়

## কাব্য ভাবনা

আমি মিলাব পাৰোঁ
হৃদয়ৰ লগত হৃদয়
সময়ৰ লগত সময়
নৈৰ লগত নৈৰ মিলন ঘটাই
খোদিত কৰিব পাৰোঁ
জীৱনৰ স্বৰ্ণিল ইতিহাস।

যদিহে আমাৰ মনে কয়...



# বতৰৰ গান

শৰৎ বৰকাকতি

অসম অসম
বতৰ বিষম
যঁতৰ ওলোটাই ঘূৰে
বিহুৱান ববলৈ
সূতা কাটি থাকোঁতে
শিপিনী লুটি খাই পৰে
আঐ দেহি
উঠাই দিবহি কোনে ....

অদূলি পদূলি
উদুলি মুদুলি
সোণৰ মায়ামৃগ চৰে
সোণালী সপোনবোৰ
গঞ্জাৰ গালে মুখে
চিটিকি চিটিকি পৰে ...
আঐ দেহি
বুটলি বিলাব কোনে....

আবতৰত ক'ৰবাত
শিল বৰষিলে
মলিওৱা আমবোৰ সৰে
অনাগত দিনৰ

কাব্য ভাবনা

অজান আশঙ্কাত
মাজুলীৰ মণিকূট লৰে
আঐ দেহি
ভৰষা দিবহি কোনে ....



# হারায়ে খুঁজি

মীনাক্ষি রায় ডাকুৱা

সুন্দর তুই সুন্দর
ওগো মোর বড়ই আপনার
স্বর্ণালী কৈশোরের মধুময় সাথী
১৯৭৫- ১৯৭৭ কটনিয়ানচ্ পি. ইউ
কিছুই না বলে মোরে
নীরবে নিঃশব্দে খেলার ছলে
তুই যে হারিয়ে গিয়েছিলি
তোকে হারিয়ে ফেলেছিলাম আমি
তাই হারায়ে তোরে খুঁজি
সাক্ষাতে ছিলিনা তুই
তবু ছিলি প্রবল ইচ্ছে হয়ে
মনে আমার মনে হৃদয় নিভৃতে
আমি শুধু কান পেতে রই
কতদিন কতমাস কতযুগ
কেটে গেছে সুদীর্ঘ চল্লিছ বৎসর
আজ জীবনের প্রৌঢ়ত্বের সীমানায়
পুলকে খুঁজে পেয়েছি তোকে
হারানিধি মোর
আর তোকে হারাব না কোনোদিন
হে মোর প্রিয়ের চেয়েও প্রিয়
শুধু একবার শুধোই তোরে

কাব্য ভাবনা

বল দেখি আজ মোরে
বুকের মাঝারে ছিলি তুই
পুনু এলি বুকে
এতদিন ছিলি তুই
কার দুধ-ভাতে।

